

# অনন্ত জীৱন: এক আলোকপাত



ৰুহী প্ৰতিষ্ঠান





কিতাপ ১

# অনন্ত জীৱন: এক আলোকপাত

ঋহী প্ৰতিষ্ঠান

এই শৃংখলাৰ কিতাপবোৰ:

ৰূহী প্ৰতিষ্ঠানৰ দ্বাৰা নিৰ্ধাৰিত বৰ্তমানৰ শৃংখলাৰ কিতাপৰ নামবোৰৰ সূচী তলত প্ৰদান কৰা হৈছে। এই কিতাপবোৰ, যুৱক আৰু বয়স্ক সকলৰ সমুদায়ক সেৱা কৰাৰ ক্ষমতাক বিকাশ কৰাৰ এক ব্যৱস্থিত প্ৰচেষ্টাৰ ৰূপত ব্যৱহাৰ কৰা হয়। ৰূহী প্ৰতিষ্ঠানে ইয়াৰ উপৰিও শিশুশ্ৰেণীৰ শিক্ষক সকলৰ প্ৰশিক্ষণৰ বাবে ব্যৱহাৰ কৰা তৃতীয় কিতাপৰ শাখা পুথি নিৰ্মাণ কৰাৰ লগতে কিশোৰ দলৰ অনুপ্ৰেৰকক প্ৰশিক্ষিত কৰা পঞ্চম কিতাপৰ এটি শাখাও নিৰ্মাণ কৰাত প্ৰচেষ্টাৰত, নিম্নোক্ত সূচীত এয়াও অন্তৰ্ভুক্ত কৰা হৈছে। এয়া উল্লেখযোগ্য যে, যিদৰে তৃণমুল স্তৰত অনুভৱ লাভ কৰা হ'ব ইয়াত সাল-সলনি হোৱাটো স্বাভাৱিক। আৰু যিদৰে বিকশিত আৰু সীমিত ভাৱে প্ৰয়োগ হৈ থকা সামগ্ৰী অধিক বিস্তাৰিত ৰূপত প্ৰয়োগৰ বাবে প্ৰস্তুত হৈ উঠে, আন শিৰোনামবোৰ অন্তৰ্ভুক্ত কৰা হ'ব ।

| | |
|---|---|
| কিতাপ ১ | *অনন্ত জীৱন: এক আলোকপাত* |
| কিতাপ ২ | *সেৱাদানৰ সঙ্কল্প* |
| কিতাপ ৩ | *শিশু শ্ৰেণীৰ পাঠদান, স্তৰ ১* |
| | *শিশু শ্ৰেণীৰ পাঠদান, স্তৰ ২ (শাখা পুস্তক)* |
| | *শিশু শ্ৰেণীৰ পাঠদান, স্তৰ ৩ (শাখা পুস্তক)* |
| | *শিশু শ্ৰেণীৰ পাঠদান, স্তৰ ৪ (শাখা পুস্তক)* |
| কিতাপ ৪ | *যুগল প্ৰকটাৰতাৰ* |
| কিতাপ ৫ | *কিশোৰ শক্তিক উজাগৰ কৰা* |
| | *প্ৰাৰম্ভিক প্ৰতিক্ৰিয়া: ৫ নং কিতাপৰ প্ৰথম শাখা পুস্তক* |
| | *চক্ৰৰ বিস্তাৰ: ৫ নং কিতাপৰ দ্বিতীয় শাখা পুস্তক* |
| কিতাপ ৬ | *প্ৰভুধৰ্মৰ শিক্ষণ* |
| কিতাপ ৭ | *সেৱাদানৰ পথত মিলিত পদযাত্ৰা* |
| কিতাপ ৮ | *বাহাউল্লাৰ চুক্তি* |
| কিতাপ ৯ | *এক ইতিহাসিক দৃষ্টিকোণ* |
| কিতাপ ১০ | *জীৱন্ত সমুদায় নিৰ্মাণ* |
| কিতাপ ১১ | *ভৌতিক মাধ্যম* |
| কিতাপ ১২ | *আহি আছে* |
| কিতাপ ১৩ | *সামাজিক ক্ৰিয়াত যোগদান* |
| কিতাপ ১৪ | *আহি আছে* |

Copyright © 2020 by the Ruhi Foundation, Colombia
All rights reserved. Edition 4.1.2.PE published in July 2020
Printed in India

Originally published in Spanish as Reflexiones sobre la vida del espíritu
Copyright © 1987, 1995, 2008, 2020 by the Ruhi Foundation, Colombia
ISBN 978-958-59880-3-3

Permission for a limited printing of this book in Assamese has been granted to Regional Training Institute by the Ruhi Institute.

Ruhi Institute
Cali, Colombia
Email: instituto@ruhi.org
Website: www.ruhi.org

Regional Training Institute
Khanapara, Guwahati
Assam, India
Email: Tibassam@ibnc.in

# সূচীপত্ৰ

সহশিক্ষকৰ বাবে কিছু চিন্তন ............................. v

বাহাই লিখনীৰ বোধগম্যতা ............................... 1

প্ৰাৰ্থনা ......................................................... 13

জন্ম আৰু মৃত্যু ............................................. 27

# সহশিক্ষকৰ বাবে কিছু চিন্তন:

পৃথিৱীজুৰি, এনে সমুদায়ৰ সংখ্যা বৃদ্ধি হৈ আহিছে য'ত ৰুহী প্ৰতিষ্ঠানৰ দ্বাৰা প্ৰদত্ত *অনন্ত জীৱন এক আলোকপাত* এই কিতাপখন অধ্যয়ন কৰা হৈ আছে । অধিকাধিক ক্ষেত্ৰত ইয়াক এনে বন্ধুসকলৰ এক দলৰ দ্বাৰা অধ্যয়ন কৰা হয়, যি প্ৰায়েই এক অধ্যয়ন চক্ৰৰ গঠণ কৰে। যি প্ৰায়েই একলগ হয় বা প্ৰতিষ্ঠান অভিযানৰ সময়ত ইয়াৰ অধ্যয়ন সমাপ্ত কৰে, তাৰোপৰি ইয়াক সঘন অধ্যয়ন চক্ৰ বা গ্ৰীষ্মকালীন অধ্যয়ন আদিতো ইয়াৰ প্ৰয়োগ কৰা হৈছে। সুযোগ যিয়েই নহওক কিয় তাত এজন সহশিক্ষকৰ ৰূপত সেৱাদান কৰে। সহশিক্ষক আৰু আন প্ৰতিভাগীৰ মাজৰ সম্বন্ধ এজন শিক্ষক আৰু ছাত্ৰৰ সম্বন্ধৰ দৰে নহয়; সকলোৱে এনে এক প্ৰক্ৰিয়াৰ সৈতে জড়িত য'ৰ পৰা সকলোৱে কিবা নহয় কিবা শিকিব বিচাৰি আছে। এই শৃংখলৰ যথেষ্ট সংখ্যক পাঠ্যপুথিৰ অধ্যয়ন আৰু ইয়াৰ লগত জড়িত সেৱাকাৰ্য্য কৰাৰ অনুভৱে তেওঁক প্ৰতিভাগীসকলক পুস্তকৰ উদ্দেশ্যৰ পিনে লৈ যোৱাত সহায় কৰে। প্ৰথম পুস্তকৰ সহশিক্ষকৰ ৰূপত সেৱাদান কৰিবলৈ ইচ্ছুক সকলক তলত প্ৰদান কৰা অৱধাৰণাবোৰ সময়ে সময়ে আওৰোৱা কাৰ্যই সহায় কৰিব।

এই প্ৰশিক্ষণৰ পুস্তক অধ্যয়নৰ বাবে প্ৰতিভাগী সকল পৃথিৱীৰ বিভিন্ন পৃষ্ঠভুমিৰ পৰা আহে। তাৰ কিছুমান ইতিমধ্যেই বাহাই, যি তেওঁ বা তাই গ্ৰহণ কৰা উদ্দেশ্যৰ প্ৰতি সেৱাদান কৰাৰ বাবে ক্ষমতাৰ বিকাশ কৰিব বিচাৰে। আন কিছুমানে এই পুস্তকক বাহাই বিশ্বাসক এক ধৰ্মৰ ৰূপত অনুসন্ধান কৰাৰ প্ৰথম পদক্ষেপৰ ৰূপত লক্ষ্য কৰে। আন কিছুমান বাহাই চিন্তাধাৰাৰ প্ৰতি আকৰ্ষিত হৈ সমুদায়ৰ লক্ষ্য আৰু উদেশ্যৰ বিষয়ে বুজি পাব বিচাৰে। আৰু বৰ্ধিত সংখ্যক এনে যুৱকে এই পাঠ্যপুথিক নিজৰ সমাজৰ প্ৰতি কোনো এক কাৰ্যক্ৰমৰ মাধ্যমেৰে সেৱাদানৰ প্ৰথম পদক্ষেপৰ ৰূপত লক্ষ্য কৰে যি বাহাই সমাজে প্ৰদান কৰি আছে।

আৰম্ভনিৰ পৰাই ৰুহী প্ৰতিষ্ঠানৰ পাঠ্যক্ৰমৰ অধ্যয়নত অংশগ্ৰণ কৰা প্ৰতিভাগীৰ বাবে এয়া স্পষ্ট হোৱা উচিত যে, এই পাঠ্যক্ৰমবোৰে প্ৰত্যেক ব্যক্তিকেই এক সেৱাৰ পথ প্ৰদান কৰে, য'ত আমি সকলোৱেই নিজা নিজা গতিত আনৰ দ্বাৰা সহায়প্ৰাপ্ত হৈ বা আনক সহায় কৰি আগবাঢ়োঁ। এই পথত আগবঢ়াৰ অৰ্থ হৈছে এক দ্বৈত নৈতিক উদ্দেশ্যৰ অনুসৰণ কৰা : নিজৰ বৌদ্ধিক আৰু আধ্যাত্মিক বিকাশ সাধন কৰাৰ লগতে সমাজৰ ৰূপান্তৰনত অৱদান আগবঢ়োৱা। এই পথত আগবঢ়াৰ অৰ্থ হৈছে এনে কিছুমান ক্ষমতাৰ বিকাশ সাধন কৰা যাৰ বাবে জ্ঞান আৰু বোধগম্যতাৰ প্ৰয়োজন হয়, আধ্যাত্মিক গুণ আৰু প্ৰসংশনীয় অভিবৃত্তিৰ লগতে কিছুমান ক্ষমতা আৰু কৌশল অৰ্জিত কৰা। জ্ঞানৰ দুই উৎস যাৰ আধাৰত এই পাঠ্যক্ৰমবোৰ নিৰ্মাণ কৰা হয়- এহাতে বাহাউল্লাৰ লিখনী আৰু আনহাতে সমগ্ৰ বিশ্বজুৰি বাহাই সমুদায়ে সভ্যতাৰ আধ্যাত্মিক আৰু ভৌতিক বিকাশৰ বাবে কৰা প্ৰচেষ্টাত লাভ কৰা অনুভৱ। প্ৰতিষ্ঠানৰ উদ্দেশ্য হৈছে যে আমি কিদৰে বাহাউল্লাই কল্পনা কৰা ধৰণৰ ব্যক্তি আৰু সমাজৰ ৰূপত নিজকে দেখিব পাৰোঁ। এয়া আশা কৰা হৈছে যে প্ৰত্যেক অংশগ্ৰহণকাৰীয়ে এই দুৰদৃষ্টিক আকোঁৱালি ল'ব যি প্ৰত্যেক কিতাপৰ প্ৰত্যেক ভাগতেই স্পষ্টভাৱে অংকিত কৰা হৈছে।

এক পৃথিৱী য'ত প্ৰত্যেক দল আৰু চিন্তাধাৰাৰ লোকে যি কোনো পদ্ধতি অৱলম্বন কৰি নিজৰ সংখ্যা বৃদ্ধি কৰিব বিচাৰে, বিশ্বাসৰ লগত অপৰিচিত কোনোবা এজনৰ প্ৰতিষ্ঠানৰ উদ্দেশ্যৰ ওপৰত প্ৰশ্ন থকাটো তেনেই স্বাভাৱিক, বিশেষকৈ, "মোক মোৰ ধৰ্ম পৰিৱৰ্তন কৰিবলৈ কোৱা হৈছে নেকি?" বা "মোক কোনোবা ধৰ্ম গ্ৰহণ কৰিবলৈ কোৱা হৈছে নেকি?" এনে ধৰণৰ প্ৰশ্নই সহশিক্ষকক, ওপৰত বৰ্ণনা কৰা প্ৰতিষ্ঠানৰ পাঠ্যক্ৰমবোৰৰ শৃংখলৰ উদ্দেশ্যৰ বিষয়ে বৰ্ণনা কৰাৰ সুযোগ প্ৰদান কৰে। য'ত এয়া স্বাভাৱিক যে বাহাই সকলে এয়া বিচাৰে যে তেওঁলোকৰ বন্ধু বান্ধৱীবোৰ এই সমুদায়ৰ অংশ হ'ব পাৰে নেকি, সিঁহতৰ নিজৰ বিশ্বাসেই সিঁহতক চাতুৰিৰে ধৰ্মপৰিৱৰ্তনৰ কাৰ্যক বাধা প্ৰদান কৰে। প্ৰতিষ্ঠানৰ দ্বাৰা প্ৰদত্ত সেৱাদানৰ পথত আগবঢ়াৰ বাবে বাহাউল্লাৰ লিখনীৰ গভীৰ বোধগম্যতা অৰ্জন কৰাটো আৱশ্যকীয় যি প্ৰতিষ্ঠানে স্পষ্টভাৱে প্ৰকাশ কৰে; বিশ্বাস আৰু স্বীকাৰ প্ৰত্যেক অংশগ্ৰহণকাৰীৰ বাবে ব্যক্তিগত বিষয়, যি তেওঁ নিজেই, কোনোধৰণৰ চাপ নোহোৱাকৈ নিজৰ বাবে চিন্তা কৰিব পাৰে।

স্বাভাৱিকতে তেন্তে, সকলো অধ্যায়ৰ কেন্দ্ৰত থকাৰ দৰেই বোধগম্যতাৰ প্ৰশ্নৰে কিতাপৰ প্ৰথমটো অধ্যায়ৰ আৰম্ভনী হয়। পবিত্ৰ লিখনীৰ পাঠ এজন ব্যক্তিয়ে সাধাৰণতে পঢ়া হেজাৰ হেজাৰ পাঠৰ সৈতে একে নহয়। 'বাহাই লিখনী বোৰৰ বোধগম্যতা অৰ্জন' অধ্যায়টোৱে প্ৰতিদিনে পবিত্ৰ লিখনীৰ পাঠ আৰু তাৰ অৰ্থৰ ওপৰত চিন্তনৰ এক অভ্যাস গঢ়াৰ প্ৰচেষ্টা কৰে, এক অভ্যাস যি প্ৰতিভাগী সকলক সেৱাৰ পথত আগবঢ়াত বিশেষভাৱে সহায় কৰিব । এই অধ্যয়নত তেওঁলোকক সহায় কৰাৰ বাবে সহশিক্ষকে এক যথেষ্ট পৰিমানৰ চিন্তা বোধগম্যতাৰ ওপৰত খৰচ কৰিব লাগিব।

বাহাই লিখনীবোৰত গভীৰ আধ্যাত্মিক সত্য আছে, আৰু যদিও আমি ইয়াৰ অসীম বোধগম্যতাৰ পৰা কিছু অংশ লাভ কৰিব বিচাৰো, আমি কেতিয়াও ইয়াৰ অন্ত ঢুকি নাপাওঁ। প্ৰথম দৃষ্টিত আমি কেৱল ইয়াৰ প্ৰাথমিক অৰ্থ হে উপলব্ধি কৰিব পাৰোঁ আৰু প্ৰথম অধ্যায় ইয়াৰেই পৰা আৰম্ভ হ'ব। সেয়েহে "বিশুদ্ধ আৰু উৎকৃষ্ট কৰ্ম, প্ৰশংসনীয় আৰু শোভনীয় অভিবৃত্তিৰ জৰিয়তে পৃথিৱীখনৰ উন্নতি সাধিব পাৰি।" এই উদ্ধৃতিটি পঢ়াৰ পিছত এই প্ৰশ্ন সোধা যায় যে পৃথিৱীখনৰ মঙ্গল কেনেকৈ সাধিব পাৰি। বহুক্ষেত্ৰত এনেধৰণৰ প্ৰশ্নৰ উত্তৰ অতি সৰল। কিন্তু বহু বছৰৰ অভিজ্ঞতাই এইদৰে আৰম্ভ কৰাৰ সিদ্ধান্তৰ পোষকতা কৰে। আমি এয়া মনত ৰখা দৰকাৰ যে এক অনুচ্ছেদত নিহিত অৰ্থৰ উদ্ঘাটনৰ বাবে কৰা খৰখেদাত অতি সৰল উত্তৰক উপেক্ষা কৰা উচিত নহয়। এনেধৰণৰ প্ৰথমটো স্তৰৰ বোধগম্যতাৰ অৰ্জনেও যথেষ্ট সামুহিক আলোচনাৰ সমল যোগাব পাৰে। ই চিন্তাধাৰাৰ একতাক মজবুত কৰে, যি তৎক্ষানত লাভ কৰিব পাৰি, যেতিয়া মনবোৰ দিব্য বিবেকৰ আলোকত প্ৰকাশিত হ'বলৈ এৰি দিয়া হয়।

এইটো মনত ৰখা অতি দৰকাৰ যে প্ৰথম পৰ্য্যায়ৰ বোধগম্যতাত অধ্যয়ণৰ বিষয় বস্তুৰ বাহিৰৰ কিছুমান শব্দৰ অৰ্থ বিচাৰি দিঘলীয়া আলোচনাত ব্যস্ত হোৱা উচিত নহয়। কেতিয়াবা দলটোত কোনো শব্দ অৰ্থৰ বাবে শব্দকোষ ব্যৱহাৰ কৰাটো স্বাভাৱিক। কিন্তু, ইয়াৰ সলনি বাক্যাংশ আৰু উদ্ধৃতি বিলাকক আলোচনাৰ জৰিয়তে শব্দৰ অৰ্থ বিচাৰি চোৱাত সহায় কৰাতো অধিক ফলপ্ৰসূ হয়।

চিন্তাধাৰাৰ প্ৰথমটো স্তৰৰ পৰা আগলৈ আগবঢ়াৰ বাবে এয়া সহায়ক হ'ব পাৰে যে এনে উদাহাৰণ প্ৰদান কৰা যি চিন্তাধাৰাক প্ৰাকট্য ৰূপ প্ৰদান কৰিব পাৰে। উদাহাৰণ স্বৰূপে ২ নং খণ্ডত অংশগ্ৰহনকাৰী সকলক উপৰোক্ত উদ্ধৃতিৰ আধাৰত কিছুমান উক্তি প্ৰসংশনীয় হয় নে নহয় নিৰ্ধাৰিত কৰিবলৈ কোৱা হৈছে। ঠিক তেনেদৰে ৪ নং খণ্ডতো কিছুমান অনুশীলনী প্ৰদান কৰা হৈছে য'ত পাঁচটা গুণৰ উদাহাৰণ দিবলৈ কোৱা হৈছে আৰু সোধা হয় যে সত্যবাদিতাৰ অবিহনে ইয়াক লাভ কৰাটো সম্ভৱনে। উদ্ধৃতিত কোৱা হয়- সত্যবাদিতাই সকলো মানৱ গুণৰ ভেটি।

অধ্যায়ৰ বোধগম্যতাক আন স্তৰলৈ নিয়াৰ বাবে তথাপিও ই অংশগ্ৰহনকাৰী সকলক অনুচ্ছেদবোৰৰ প্ৰয়োগৰ ওপৰত চিন্তা কৰিবলৈ প্ৰত্যাহ্বান জনায়। উদাহাৰণ স্বৰূপে, ২ নং খণ্ডত যেতিয়া এয়া সঁচা হয় নে নহয় নিৰ্ধাৰন কৰিবলৈ কোৱা হয়-পৃথিৱিত ইমান কম ভাল মানুহ আছে যে তেওঁলোকৰ প্ৰভাৱ পৃথিৱীত নপৰে। ইয়াৰ উদ্দেশ্য কেৱল মতামত আহৰণ কৰাই নহয়। সহশিক্ষকে ইয়াত বৈ কিছু প্ৰশ্ন কৰিব লাগিব। কিয়নো, এই উক্তিটো মিছা যিহেতু ই পূৰ্ববৰ্তী খণ্ডত পঢ়ি গ্ৰহণ কৰা সিদ্ধান্তৰ বিপৰীত। এজন বাহাইয়ে নিজৰ পাপ স্বীকাৰ কৰাটো উচিত নে অনুচিত এই প্ৰশ্নৰ উত্তৰো স্পষ্টভাৱে অনুচ্ছেদবোৰত পোৱা নাযায় যাৰ সন্দৰ্ভ বাহাই বিধিত পাপৰ প্ৰায়শ্চিত কৰাত থকা বাধাৰ লগত সম্বন্ধিত। কিন্তু এই উদ্ধৃতিৰ পৰা আহৰণ কৰিব পৰা যায় যে "হে অস্তিত্বৰ পুত্ৰ ! তোমাৰ অন্তিম বিচাৰৰ হিচাপ-নিকাচৰ সময় অহাৰ আগতে প্ৰতিদিনে নিজকে মূল্যায়ণ কৰিবা।"

প্ৰশ্নবোৰে, অনুচ্ছেদবোৰত সন্নিহিত অৰ্থৰ আটাইবোৰৰ উত্তৰ লাভ কৰাৰ প্ৰচেষ্টা কোনোধৰনেই নকৰে। এক প্ৰশ্ন যি প্ৰত্যেক সহশিক্ষকেই নিজকে সোধা উচিত যে প্ৰত্যেক অনুশীলনীক কিমান সময় প্ৰদান কৰা উচিত। এটা কথাত মনযোগ প্ৰদান কৰাৰ প্ৰয়োজনীয়তা আছে যে বিভিন্ন সম্বন্ধিত বিষয় উত্থাপন কৰি আলোচনাক দিঘলীয়া কৰাৰ ফলত পাঠ্যক্ৰমৰ প্ৰভাৱশীলতাত বিৰূপ প্ৰভাৱ পৰিব পাৰে। প্ৰত্যেক দলেই আগুৱাই যোৱাৰ বাবে এক নিৰ্দিষ্ট গতি স্থাপন কৰাৰ প্ৰয়োজনীয়তা আছে। প্ৰত্যেক অংশগ্ৰহণকাৰীয়ে এয়া অনুভৱ কৰা উচিত যে তেওঁলোকে নিজৰ সম্ভাৱনীয়তা অনুসৰি আগবাঢ়ি আছে। আনহাতে সহশিক্ষকে এয়া মনযোগ প্ৰদান কৰিব লাগিব, যে শেষৰ ফালৰ অনুশীলনীবোৰত যদিহে কেৱল খালীঠাই বোৰ পূৰ কৰি যথেষ্ট চিন্তা প্ৰদান নকৰাকৈয়ে আগবাঢ়ি যোৱা হয় তেন্তে স্থায়ী প্ৰভাৱ লাভ কৰিব পৰা নাযাব।

এক অন্তিম বিন্দুত মনযোগৰ প্ৰয়োজনীয়তা আছে, যে পাঠ্যক্ৰমে প্ৰেৰিত কৰা অৱধাৰণা বুজি পোৱাত প্ৰত্যেক অংশগ্ৰহণকাৰীৰ প্ৰতিভাগীতাক সুনিশ্চিত কৰাৰ দায়িত্ব সহশিক্ষকৰ ওপৰত আহি পৰে। কোনো অংশগ্ৰহনকাৰীক চাপ প্ৰদান নকৰাকৈ কোৱাৰ বাবে প্ৰেৰিত কৰাটো এক প্ৰত্যাহ্বানপূৰ্ণ কাৰ্য। প্ৰথমৰ পৰাই আমি এয়া অনুভৱ কৰাটো উচিত যে এই সমস্যাৰ সমাধান "ইয়াৰ অৰ্থ তোমাৰ বাবে কি?" আদি প্ৰশ্নৰ দ্বাৰা কৰিবলৈ চেষ্টা কৰা হয়, এনেধৰণৰ প্ৰশ্নই সত্যক কেৱল মতামতৰ স্তৰলৈ নমাই আনে। আৰু এনে পৰিবেশৰ সৃষ্টি কৰাটো কঠিন হৈ পৰে যত উৎপন্ন হোৱা আলোচনাই বৰ্ধিত বোধগম্যতাৰ সৃষ্টি কৰিব পাৰে।

প্ৰথমটো অধ্যায়ৰ দৰেই দ্বিতীয়টিও এক মহত্বপূৰ্ণ আধ্যাত্মিক অভ্যাসৰ ওপৰত কেন্দ্ৰিত: দৈনিক প্ৰাৰ্থনা কৰা। এই অধ্যায়ত প্ৰথমতেই সেৱাৰ পথৰ সন্দৰ্ভত এয়া স্পষ্ট কৰা হয় যে, সেৱাৰ পথত আগবঢ়াৰ বাবে এক দ্বৈত নৈতিক উদ্দেশ্যৰ প্ৰয়োজন। অধ্যায়ৰ আৰম্ভনীতেই কিছুমান উদ্ধৃতিৰ অধ্যয়ন কৰা হয় যি তেওঁলোকক এই অৱধাৰণাক বুজি পোৱাত সহায় কৰে, যাক অধ্যয়ন শৃংখলাৰ আগন্তুক পাঠ্যক্ৰমবোৰত আৰু অধিক বহলাই আলোচনা কৰা হ'ব।

এই অৱধাৰণাৰ লগত সংগতি ৰাখি অধ্যায়টিয়ে প্ৰাৰ্থনাৰ মহত্বক বিচাৰ কৰাৰ প্ৰচেষ্টা কৰে। পূৰ্বৰ অনুচ্ছেদবোৰত বৰ্ণনা কৰাৰ দৰেই একেই ধৰণৰ পদক্ষেপ গ্ৰহণ কৰা হয়। প্ৰশ্ন আৰু অনুশীলনী বোৰে অধ্যয়ন কৰা অনুচ্ছেদবোৰক বুজিপোৱাত সহায় কৰে। যিদৰে অধ্যয়ন আগবাঢ়ে সহশিক্ষকে কিছুমান বৰ্ণনাৰ দ্বাৰা অতীতত পালন কৰা অভ্যাসৰ অন্তৰ্নিহিত অৱধাৰণাক বুজাত সহায় কৰিব লাগিব। কিছুমান সংস্কৃতিত, ৰীতি- নীতি আৰু অভ্যাস বোৰে আন্তৰিক অৱস্থাৰ মহত্বক কম কৰি পেলাইছে আৰু **আন** বহুতেই প্ৰাৰ্থনাৰ মহত্বক আওকান কৰে, যি আমাৰ শৰীৰৰ পুষ্টিতকৈ কম মহত্বপূৰ্ণ নহয়।

সবাতোকৈ উৰ্ধত,এই অধ্যায়ে অংশগ্ৰহনকাৰীত ঈশ্বৰৰ সৈতে কথোপকথনৰ আৰু তেওঁৰ নিকটতা লাভ কৰাৰ ইচ্ছাক তীব্ৰ কৰাৰ প্ৰচেষ্টা কৰে। উপস্থাপন কৰা অৱধাৰনাবোৰ হৈছে- প্ৰাৰ্থনাপূৰ্ণ স্থিতিৰ অৰ্থ কি? আৰু সেই অৱস্থাত আমাৰ হৃদয় আৰু মনৰ স্থিতি কি হোৱা উচিত? আৰু আমি অকলে বা একেলগে থকা সময়ত আমাৰ চাৰিওফালে কি পৰিস্থিতিৰ সৃষ্টি কৰা উচিত? নিশ্চয় সামুহিক উপাসনাৰ প্ৰভাৱৰ ওপৰত যথেষ্ট মনোনিবেশ কৰাৰ পিছত অংশগ্ৰহণকাৰী সকলক প্ৰাৰ্থনা সভাৰ আয়োজন কৰিবলৈ আহ্বান কৰা হয়।

এয়া আশা কৰা হয়, যে কিতাপৰ তৃতীয় অধ্যায় “জীৱন আৰু মৃত্যু”ৰ অধ্যয়নে সেৱাদানৰ পথত আগবঢ়াৰ ইচ্ছাক অধিক দৃঢ় কৰিব আৰু ইয়াক অধিক গভীৰ অৰ্থেৰে বিভূষিত কৰিব। এই জগতত সেৱাদানক জীৱনৰ সম্পূৰ্ণতাৰ সন্দৰ্ভত অধিক ভালদৰে বুজি পোৱা যায়, যি কেৱল ভৌতিক জীৱনতেই সীমিত নহয় আৰু অনন্তৰূপে ঈশ্বৰৰ আন আন জগতবোৰত আত্মাৰ বিকাশৰ লগত জড়িত। যান্ত্ৰিক প্ৰশিক্ষণৰ বিপৰীতে শৈক্ষিক প্ৰক্ৰিয়াৰ ৰূপত অংশগ্ৰহণকাৰী সকলে যি কৰি আছে তাৰ মহত্বৰ ওপৰত গভীৰতম চেতনাক বিকশিত কৰিব লাগিব । যদিহে তেনে চেতনা বিকশিত হয়, অনুভৱৰ পৰা দেখা পোৱা যায় যে, তেতিয়াহে অংশগ্ৰহণকাৰী সকলে নিজৰ শিক্ষাৰ স্বামিত্ব গ্ৰহণ কৰে।

এই অধ্যায়ৰ প্ৰত্যেক খণ্ড ত এটাৰ পৰা তিনটা বাহাই লিখনী আৰু তাৰ আধাৰত কিছুমান অনুশীলনী থাকে। আগৰ দুটি অধ্যায়ৰ তুলনাত এই অধ্যায়ৰ বাবে প্ৰয়োজনীয় ভাষা অধিক গধূৰ। নিশ্চয়, কঠিন শব্দবোৰত লাগি থকাৰ প্ৰয়োজন নাই, সহশিক্ষকে এয়া নিশ্চিত কৰিব যে অনুচ্ছেদৰ কেন্দ্ৰীয় অৱধাৰণাক সকলোৱে বুজি পাইছে যাৰ সন্দৰ্ভত খণ্ডটো প্ৰস্তুত কৰা হৈছে। আৰু তাকেই অনুশীলনীবোৰেও উলিয়াই অনাৰ প্ৰচেষ্টা কৰে।

আলোচনা কৰি থকা বিষয়ৰ বাবে গোটা উদাহৰণ থকা অনুশীলনী যথেষ্ট কম, বেছিভাগেই এক অৱধাৰণাৰ স্তৰত আলোচনা কৰা হয়। এয়াও মনত ৰখা উচিত যে সোধা বহুকেইটা প্ৰশ্নৰ পোনপটীয়া আৰু তাৎক্ষণিক উত্তৰ দিয়াটো সম্ভৱ নহয়। বিচাৰ্য্য বিষয়বোৰৰ ওপৰত সচেতনতা বৃদ্ধি কৰাৰ বাবে সেইবোৰ উত্থাপন কৰা হৈছে। অংশগ্ৰহনকাৰী সকলে যদিহে সেই প্ৰশ্নবোৰৰ ওপৰত সামান্য চিন্তা চৰ্চাও কৰে, উদ্দেশ্য সফল হ’ব।

প্ৰথম কেইটিমান খণ্ডই শৰীৰ আৰু আত্মাৰ মাজৰ সম্বন্ধৰ ওপৰত মনযোগ প্ৰদান কৰে, উভয়ে মিলি একেলগে এই ধৰাত মানৱ অৱয়বৰ গঠন কৰে। এই খণ্ডবোৰৰ কেন্দ্ৰীয় অৱধাৰণা হৈছে আত্মা এক ভৌতিক অস্তিত্ব নহয়; ইয়াৰ শৰীৰৰ লগত সম্বন্ধক দাপোন আৰু পোহৰৰ সম্বন্ধৰ লগত তুলনা কৰিব পাৰি। ইয়াৰ ওপৰত পৰি থকা ধূলি নাইবা দাপোনৰ ভঙ্গনেও পোহৰৰ উৎসৰ ওপৰত প্ৰভাৱ পেলাব নোৱাৰে। মৃত্যু কেৱল অৱস্থাৰ পৰিৱৰ্তন; যেতিয়া শৰীৰ আৰু আত্মাৰ মাজৰ সম্বন্ধ ভাঙে তেতিয়াও আত্মা অনন্ত জগতত বিকাশ কৰিয়েই থাকে।

ইয়াৰ পিছত অধ্যায়টো জীৱনৰ উদ্দেশ্যৰ প্ৰশ্নলৈ উন্মুখ হয়-ঈশ্বৰক জনা আৰু তেওঁৰ সান্নিধ্য লাভ কৰা। আলোচনা দুটি মুখ্য অৱধাৰণাৰ চাৰিওফালে পৰিক্ৰমা কৰে। প্ৰথমটি হৈছে এই জীৱনত আমাৰ উদ্দেশ্য আৰু দ্বিতীয়টো মৃত্যুৰ পিছত আত্মাৰ জীৱন। আত্মা হৈছে ঈশ্বৰৰ এক চিহ্ন যি তেওঁৰ গুণ আৰু বৈশিষ্ট্যক প্ৰতিবিম্বিত কৰিব পাৰে। কিন্তু মানৱ আত্মাত সুপ্ত ক্ষমতা ঈশ্বৰীয় প্ৰকটাৱতাৰ সকলৰ দ্বাৰাহে প্ৰজ্বল্লিত কৰিব পৰা যায়, যি সময়ে সময়ে মানৱজাতিক মাৰ্গদৰ্শন প্ৰদান কৰিবলৈ পৃথিৱীলৈ আহে। তেওঁলোকে লৈ অনা আধ্যাত্মিক শিক্ষাৰ দ্বাৰা, ভিতৰত লুকাই থকা মণি-মুকুটা প্ৰকাশিত কৰিব পাৰি।

মৃত্যুৰ পিছত আত্মাৰ জীৱনৰ বিষয়ে কিছুমান অৱধাৰনাৰ শৃংখল উপস্থাপিত কৰা হৈছে, যে ঈশ্বৰৰ বিশ্বাসী সকলে প্ৰকৃত আনন্দ লাভ কৰিব; আমাৰ কোনোৱে নিজৰ অন্তিম অৱস্থাৰ বিষয়ে জানিব নোৱাৰে, সেয়েহে আমি সকলোকে ক্ষমা কৰা উচিত আৰু নিজক আনতকৈ উন্নত বুলি ভাৱিব নালাগে; আৰু এই জগতৰ নিচিনাকৈ আগন্তুক জগতবোৰতো আমাৰ আত্মাৰ বিকাশ হৈ থাকিব; আৰু এই জগতত অৰ্জিত কৰা দক্ষতাবোৰে আগন্তুক জীৱনত বিকাশ লাভ কৰাত সহায় কৰিব। আৰু আমি এই জগতৰ পিছতো আমাৰ প্ৰেমাস্পদবোৰক মনত ৰাখিব পাৰিম। আৰু পবিত্ৰ আত্মাবোৰৰ সঙ্গত আনন্দিত হ'ব পাৰিম।

এই অধ্যায় বাহাউল্লাৰ এক লিখনীৰ দ্বাৰা অন্ত কৰা হয়, য'ত তেওঁ পৰজীৱনৰ লাভবোৰৰ বিষয়ে আশ্বস্ত কৰিছে আৰু এই ক্ষণস্থায়ী জগতৰ ঘটনাবোৰত আমাক দুখী হবলৈ মানা কৰিছে। আৰু শেষত. ইতিমধ্যে শিকাখিনি জীৱনত প্ৰভাৱৰ বিষয়ে মনন কৰিবলৈ আহ্বান কৰা হৈছে।

# বাহাই লিখনি সমূহৰ বোধগম্যতা লাভ কৰা

**উদ্দেশ্য**

প্ৰতিদিনে পবিত্ৰ লিখনীবোৰৰ অধ্যয়ন কৰা
আৰু তাৰ অৰ্থৰ ওপৰত চিন্তন কৰাৰ
এক অভ্যাসক মজবুত কৰা।

## খণ্ড- ১

এই ভাগৰ উদ্দেশ্য হৈছে আপোনালোকক প্ৰতিদিনে পবিত্ৰ লিখনি অধ্যয়ন কৰা আৰু ইয়াৰ অৰ্থৰ ওপৰত চিন্তন কৰাৰ অভ্যাস গঢ়ি তোলা আৰু দৃঢ় কৰাত সহায় কৰা। এই অধ্যায়ত আপোনালোকে পবিত্ৰ লিখনিৰ কিছুমান সৰু-সৰু অংশ পঢ়া আৰু কিছুমান প্ৰশ্নৰ প্ৰত্যুত্তৰ প্ৰদান কৰাৰ দ্বাৰা আৰম্ভ কৰিব যিবোৰৰ উত্তৰ সেই উক্তি ফাঁকিয়েই হ'ব। তেনেই সহজ যদিও এইবোৰে আপোনালোকক উদ্ধৃতিটোৰ অৰ্থ বুজিপোৱাত আৰু তাক মুখস্থ কৰাত সহায় কৰিব।

**"বিশুদ্ধ আৰু উৎকৃষ্ট কৰ্ম, প্ৰশংসনীয় আৰু শোভনীয় অভিবৃত্তিৰ জৰিয়তে পৃথিৱীখনৰ উন্নতি সাধিব পাৰি।"১**

১. কেনেকৈ পৃথিৱীখনৰ উন্নতি সাধিব পাৰি ? ____________________

____________________

____________________

**" সাৱধান, হে বাহাৰ লোক, তোমালোকে যেন কথা আৰু কামৰ মাজত মিল নথকা লোকৰ পথত খোজ নিদিয়া।"২**

২। কাৰ বাটত খোজ দিব নালাগে ? ____________________

____________________

____________________

**"হে অস্তিত্বৰ পুত্ৰ ! তোমাৰ অন্তিম বিচাৰৰ হিচাপ-নিকাচৰ চমন অহাৰ আগতে প্ৰতিদিনে নিজকে মূল্যায়ণ কৰিবা.."৩**

৩। অন্তিম হিচাপ-নিকাচৰ চমন অহাৰ আগতে কি কৰা উচিত ? ____________________

____________________

____________________

**"কোৰা : হে ভাই ভনীসকল, কৰ্মইহে তোমালোকৰ ভূষণ হওক, কথা নহয়।"৪**

৪। আমাৰ প্ৰকৃত ভূষণ কি হোৱা উচিত ? ____________________

____________________

____________________

**"পবিত্ৰ বচন, বিশুদ্ধ আৰু উৎকৃষ্ট কৰ্মই দিব্য গৌৰৱৰ স্বৰ্গ আৰোহণ কৰিব পাৰে।"৫**

৫। পবিত্ৰ বচন, বিশুদ্ধ আৰু উৎকৃষ্ট কৰ্মই কি কৰিব পাৰে ? ____________________

____________________

____________________

## খণ্ড- ২

তলত এনে কিছুমান অনুশীলনী দিয়া আছে যিবিলাক সেই উদ্ধৃতিবোৰৰ সৈতে সম্বন্ধিত, যি আপুনি অলপ আগতে অধ্যয়ণ কৰিছে। এইবোৰ ইতিমধ্যে পঢ়ি অহা অনুচ্ছেদবোৰৰ মহত্বৰ বিষয়ে চিন্তন কৰাৰ উদ্দেশ্যেৰে দিয়া হৈছে যাক যান্ত্রিকভাৱে সমাধান কৰা উচিত নহয়। ইয়াৰ অৰ্থ এয়া নহয় যে প্রতিটো প্রশ্নতেই বহুত অধিক আলোচনা কৰিব লাগিব। যেতিয়া কোনো প্রশ্ন আপোনাৰ বাবে প্রত্যাহ্বান যেন লাগে, সেই বিলাক ভালদৰে অনুসন্ধান কৰাত আপোনাক দলটোৰ সহ শিক্ষকে সহায় কৰিব।

১। যেতিয়া কিবা এটাক "প্রশংসনীয়" বোলা হয়, ইয়াৰ অর্থ হ'ল ই প্রশংসাৰ যোগ্য। তলত উল্লেখ কৰা বোৰৰ কোনবোৰ প্রশংসনীয় ?

_____ এজন ভাল কর্মী হোৱা।

_____ আনক সন্মান কৰা।

_____ এজন অধ্যয়নশীল হোৱা।

_____ এজন মিছলীয়া হোৱা।

_____ এজন এলেহুৱা হোৱা।

_____ আনক সেৱা কৰা।

২। "অন্তিম হিচাপ-নিকাচৰ চমন অহাৰ আগতে" বোলা বাক্যাংশই কি বুজাইছে ? _____________

_____________________________________________

৩। তলৰ উক্তিবোৰৰ কোনবোৰ সঁচা নির্ধাৰণ কৰা।

_____ পৃথিৱীত ইমান কম ভাল মানুহ আছে যে তেওঁলোকৰ কামৰ কোনো ফল নাই।

_____ আন মানুহৰ মতৰ লগত মিল থকা যিকোনো বিষয়েই শুদ্ধ।

_____ ঈশ্বৰৰ শিক্ষাবোৰৰ লগত মিল থকা যিকোনো বিষয়েই শুদ্ধ।

৪। তলত দিয়া কোনবোৰ বিশুদ্ধ আৰু উৎকৃষ্ট কর্ম।

_____ ল'ৰা-ছোৱালীৰ যত্ন লোৱা আৰু শিক্ষা দান কৰা

_____ চুৰি কৰা

_____ আনৰ প্রগতিৰ বাবে প্রার্থনা কৰা

_____ বিপদৰ পৰা মুক্ত হ'বলৈ সামান্য মিছা মতা

_____ পুৰস্কাৰৰ আশা কৰি আনক সহায় কৰা

৫। তলৰ কোনবোৰ পৰিস্থিতিত ব্যক্তি এজনৰ কথা আৰু কামৰ মাজত মিল নাথাকিব?

_____ কোনোবাই সদায় কৈ থাকে যে আমি একত্রিত হৈ থাকিব লাগে কিন্তু এনেদৰে আচৰণ কৰে যি কাজিয়াৰ সৃষ্টি কৰে।

_____ কোনোৱে এক পবিত্র জীৱনৰ মূল্যৰ প্রসংশা কৰে কিন্তু বিয়াৰ বাহিৰেও অন্য যৌন সম্পৰ্ক ৰাখে।

_____ এনে ধৰ্মক পালন কৰাৰ দাবী কৰি কোনো ব্যক্তিয়ে প্ৰায়ে সুৰাপান কৰে যি ইয়াক নিষিদ্ধ কৰে।

_____ কোনোৱে নাৰী আৰু পুৰুষৰ সমানতাৰ উকালতি কৰে কিন্তু, এক নিয়োগকৰ্তাৰ ৰূপত একেই কামৰ বাবে মহিলাক পুৰুষতকৈ কম দৰমহা প্ৰদান কৰে।

৬। আনৰ ওচৰত নিজৰ পাপ স্বীকাৰ কৰাটো ব্যক্তি এজনৰ বাবে অনুমোদিত নে ? ____________

৭। পাপ স্বীকাৰৰ সলনি সি বা তাই কি কৰা উচিত ? ____________

৮। "দিব্য গৌৰৱৰ স্বৰ্গ" বাক্যাংশৰ অৰ্থ কি ? ____________

৯। পৃথিৱীৰ ওপৰত বেয়া কামৰ ফল কি ? ____________

১০। বেয়া কাম কৰা লোকৰ ওপৰত বেয়া কামৰ প্ৰভাৱ কি ? ____________

## খণ্ড- ৩

এতিয়া লিখনিৰ কিছুমান উদ্ধৃতি অধ্যয়ন কৰক আৰু তাক মুখস্থ কৰিবলৈ যত্ন কৰক:

**"সত্যবাদিতাই হৈছে সকলো মানৱ গুণৰ ভেটি"[৬]।**

১। সকলো মানৱ গুণৰ ভেটি কি ? ____________

**"সত্যবাদিতাৰ অবিহনে প্ৰত্যেক আত্মাৰ বাবে, ঈশ্বৰৰ সকলো জগতত প্ৰগতি আৰু সাফল্য অসম্ভৱ।"[৭]**

২। সত্যবাদিতাৰ অবিহনে কি অসম্ভৱ ? ____________

**"হে লোকসকল, সত্যবাদিতাৰে তোমালোকৰ জিভাৰ সৌন্দৰ্য্য বঢ়াই তোলা আৰু নিজৰ আত্মাক সাধুতাৰ অলঙ্কাৰেৰে সজোৱা।"[৮]**

৩। কিহেৰে আমি আমাৰ নিজৰ জিভাৰ সৌন্দৰ্য্য বঢ়োৱা উচিত ? ____________

৪। আমি আমাৰ আত্মাক কিহেৰে সজোৱা উচিত ? ____________

**"তোমাৰ নেত্ৰ হওঁক পবিত্ৰ, তোমাৰ হাত বিশ্বস্ত, তোমাৰ জিভা সত্যভাষী আৰু তোমাৰ অন্তৰ প্ৰজ্বলিত।"[৯]**

৫। আমাৰ নেত্ৰ কেনেকুৱা হোৱা উচিত ?________________ আমাৰ হাত ?________________
আমাৰ জিভা ?________________________আমাৰ অন্তৰ ?________________________

**"যিসকলে ঈশ্বৰৰ ভজনালয়ৰ ভিতৰতেই বাস কৰে ,আৰু চিৰস্থায়ী মহিমাৰ আসনত অধিষ্ঠিত, তেওঁলোক যিমানেই নীচ আৰু মূল্যহীন নহওঁক কিয়, ভোকত মৰিবলগীয়া হ'লেও সিঁহতৰ চুবুৰীয়াৰ সম্পত্তি বে-আইনীভাৱে অধিগ্ৰহণ কৰিবলৈ অস্বীকাৰ কৰে।"[১০]**

৬। ভোকত মৰিবলগীয়া হ'লেও আমি কি কৰিবলৈ অস্বীকাৰ কৰা উচিত ?__________________

________________________________________________________________

________________________________________________________________

## খণ্ড- 4

আপুনি নিশ্চয় দ্বিতীয় খণ্ডত দেখিছিল যে, এই ভাগৰ কিছুমান অনুশীলনীৰ নিৰ্দিষ্ট উত্তৰ দিয়া প্ৰয়োজন, আপোনালোকৰ দলৰ সহশিক্ষকে আপোনাক আৰু আপোনাৰ সহপাঠি সকলক বৈচাৰিক একতাত উপনীত হোৱাত সহায় কৰিব। আনহাতে, আন অনুশীলনীবোৰৰ বাবে হোৱা আলোচনাই অধিক মূল্যৱান, আৰু ইয়াৰ বাবে কোনো নিৰ্দিষ্ট উত্তৰৰ আশা কৰা হোৱা নাই। তলত উল্লেখিত প্ৰশ্ন ক্ৰমাংক নং ৩ হ'ল প্ৰথম প্ৰকাৰৰ অনুশীলনী আকৌ প্ৰশ্ন ক্ৰমাংক নং ৬ হ'ল দ্বিতীয় প্ৰকাৰৰ অনুশীলনী।

১। সত্যবাদিতাই সকলো মানৱ গুণৰ ভেটি। পাঁচটা গুণৰ তালিকা দিয়া।____________________

________________________________________________________________

________________________________________________________________

২ । সত্যবাদিতা আবিহনে আমি এই গুণবোৰ আহৰণ কৰাটো সম্ভৱনে ? __________________

________________________________________________________________

৩। তলত দিয়া কোনবোৰ উক্তি সঁচা ?

____ মিছা কথা ক'লেও এজন মানুহ ন্যায়পৰায়ণ হ'ব পাৰে।

____ চুৰি কৰাজনৰ হাত বিশ্বাসযোগ্য।

____ বিশ্বস্ত হাত এখনে কেতিয়াও তেনে বস্তু স্পৰ্শ নকৰে যাৰ গৰাকী নিজেই নহয়।

____ অশ্লীল সামগ্ৰী চোৱাটো "চকুক পবিত্ৰ ৰাখিবলৈ" কোৱা বাহাউল্লাৰ উপদেশৰ বিৰোধী।

____ সত্যবাদিতাৰ অৰ্থ হৈছে মিছা নোকোৱা।

____ সততা আত্মাৰ এপদ অলঙ্কাৰ।

____ অসত্যবাদীলোকে আধ্যাত্মিক উন্নতি সাধিব পাৰে।

____ মাজে সময়ে মিছা কোৱাটো সম্পূৰ্ণ ঠিক।

____ যদি কোনোবা ভোকাতুৰ, তেন্তে চুৰ কৰাটো ঈশ্বৰৰ বাবে গ্ৰহণযোগ্য।

_____ গৰাকীৰ অনুমতি নোলোৱাকৈ, কোনো বস্তু উভতাই দিম বুলি ভাবি নিয়াটো চুৰি কৰা নোবোলে।

_____ যদি আমি সততাৰে কাম কৰোঁ, ন্যায়পৰায়ণ আৰু সত্যবাদী হওঁ, আমাৰ অন্তৰ উজ্বল হৈ উঠে।

_____ সত্যবাদিতাৰ সৈতে বেপাৰ কৰাটো অসম্ভৱ।

৪। নিজৰ ওচৰত নিজে মিছা কোৱাটো সম্ভৱনে ? ____________________

____________________

৫। যেতিয়া আমি মিছা কওঁ, তেতিয়া আমি কি হেৰুৱাওঁ ? ____________________

____________________

৬। আমি আটায়ে যদি সত্যবাদী আৰু সাধু হ'লোহেঁতেন, তেন্তে পৃথিৱীখন কেনেকুৱা হ'লহেঁতেন ?

____________________

____________________

____________________

## খণ্ড- ৫

তলত দিয়া উদ্ধৃতিটো অধ্যয়ন কৰক আৰু মুখস্থ কৰিবলৈ চেষ্টা কৰক। পবিত্ৰ লিখনিৰ অংশবিলাক মুখস্থ কৰা অতি লাভদায়ক আৰু ইয়াৰ বাবে যথাসম্ভৱ প্ৰচেষ্টা কৰা উচিত। নিশ্চয়, মুখস্থ কৰা কাৰ্যটো সকলোৰে বাবে ইমান সহজ নহয়। তথাপিও মুখস্থৰ বাবে কৰা প্ৰচেষ্টাই ধাৰণাবোৰ মনত লিপিবদ্ধ কৰাত আৰু মূল বিষয় বস্তুৰ লগত সংগতি ৰাখি ব্যক্ত কৰাত সহায় কৰে।

**"দয়াপূৰ্ণ জীভা মানুহৰ অন্তৰৰ চুম্বক স্বৰূপ। ই হৈছে চেতনাৰ খাদ্য, ই শব্দক অৰ্থেৰে আবৃত কৰে, ই বিবেক আৰু বোধগম্যতাৰ প্ৰকাশৰ নিজৰা।"[১১]**

১। দয়াপূৰ্ণ জীভা কেনেদৰে বৰ্ণনা কৰিব পাৰি ? ____________________

____________________

____________________

____________________

২। শব্দৰ ওপৰত দয়াপূৰ্ণ জীভাৰ প্ৰভাৱ কি ? ____________________

____________________

**"হে ঈশ্বৰৰ প্ৰিয়ভাজন সকল ! এই পবিত্ৰ যুগত দ্বন্দ আৰু বিবাদ কোনোফালৰ পৰাই অনুমোদিত নহয়। প্ৰতিজন কলহপ্ৰিয় ব্যক্তি নিজেই নিজকে ঈশ্বৰৰ দয়াৰ পৰা বঞ্চিত কৰে।"[১২]**

৩। উপৰোক্ত উদ্ধৃতি অনুসৰি এই যুগত কি অনুমোদিত নহয় ? ____________________

____________________

৪। কলহপ্ৰিয় লোকে নিজৰ প্ৰতি কি কৰে ? ____________________

____________________

**“বৰ্তমান এই দিনত ঈশ্বৰৰ প্ৰিয়জনৰ মাজত হোৱা মতানৈক্য আৰু কাজিয়া, বিবাদ, বিচ্ছিনতা আৰু অনীহাতকৈ এই ধৰ্মৰ ডাঙৰ ক্ষতি সাধন কৰিব পৰা একো নাই।”[১৩]**

৫। কোনবোৰ অৱস্থাই ঈশ্বৰৰ উদ্দেশ্যত আটাইতকৈ ডাঙৰ অনিষ্ট সাধে ? ____________________

______________________________________________________________________________

______________________________________________________________________________

**“কেৱল মাত্ৰ কথাৰে বন্ধুত্ব দেখুৱাই সন্তুষ্ট নাথাকিবা, তোমাৰ বাটেৰে পাৰ হোৱা সকলোৰে বাবে তোমাৰ অন্তৰ মৰমসনা দয়াৰে উজ্বলি উঠিব দিয়া।”[১৪]**

৬। কেনেধৰণৰ বন্ধুত্বই আমাক সন্তুষ্ট কৰা উচিত নহয় ? ______________________________

______________________________________________________________________________

৭। আমাৰ অন্তৰত কি উজ্বলি উঠা উচিত ?__________________________________________

______________________________________________________________________________

**“যুদ্ধৰ ভাৱনা উদয় হ’লে তাতোকৈ বেছি শক্তিশালী শান্তিৰ ভাৱনাৰে তাৰ প্ৰতিৰোধ কৰিবাহঁক। ঘৃণাৰ ভাৱনাক আৰু বেছি শক্তিশালী প্ৰেমৰ ভাৱনাৰ দ্বাৰা ধ্বংস কৰিব লাগিব।”[১৫]**

৮। কিহেৰে যুদ্ধৰ ভাৱনাৰ বিৰোধিতা কৰিব লাগে ?_____________________________________

______________________________________________________________________________

৯। ঘৃণাৰ ভাৱনাক কিহেৰে ধ্বংস কৰা উচিত ? ________________________________________

______________________________________________________________________________

## খণ্ড- ৬

উপৰোক্ত উদ্ধৃতিবোৰ মনত ৰাখি তলৰ অনুশীলনীবোৰ পূৰ কৰক :

১। চুম্বকপাথৰ চুম্বকৰ আন এটা নাম। মৰমসনা মাতে কেনেকৈ চুম্বকৰ দৰে কাম কৰে ? _______

______________________________________________________________________________

২। তলৰ বাক্যবোৰ দয়াপূৰ্ণ জিভাৰ পৰা আহিছেনে নাই-

_____ মোক বিৰক্ত নকৰিবা

_____ এইটো তুমি কিয় বুজি নোপোৰা?

_____ অনুগ্ৰহ কৰি অলপ সময় অপেক্ষা কৰিবনে ?

_____ ল’ৰা-ছোৱালীবোৰ কি ভয়ানক!

_____ তোমাক ধন্যবাদ, তুমি বৰ দয়ালু।

_____ মোৰ এতিয়া অলপো সময় নাই, মই বৰ ব্যস্ত।

৩। তলৰ অৱস্থাবোৰত মত বিৰোধ আছে নে নিৰ্ণয় কৰা

_____ কোনো বিষয়ৰ ওপৰত হোৱা আলোচনাত দুজন ব্যক্তিয়ে ভিন্ন মত প্ৰকাশ কৰে।

_____ আলোচনাত দুয়োজন ব্যক্তি দু:খিত হয় আৰু ইজনে আনজনৰ সৈতে তৰ্ক কৰে।

_____ দুজন ব্যক্তি সাপ্তাহিক ভক্তিময় বৈঠকত উপস্থিত নহয়, কিয়নো সিঁহত ইজনে আনজনৰ সৈতে মাত-বোল নকৰে।

_____ কোনো প্ৰকল্পৰ লগত জড়িত দলৰ সদস্য সকলে অনবৰত অভিযোগ কৰে যে আনসকলে তেওঁলোকৰ কৰ্তব্য নকৰে।

৪। তলৰ কোনবোৰ বাক্যই বিচ্ছেদ আৰু অনীহা প্ৰকাশ কৰিছে?

_____ দুজন বন্ধু বাটত দেখা দেখি হয়, কিন্তু ইজনে আনজনক উপেক্ষা কৰে।

_____ কোনো ব্যক্তি ভক্তিময় বৈঠকত উপস্থিত হয়, আৰু সকলোৱে তাইক উষ্মতাৰে সম্ভাষণ জনায়।

_____ যদিও সিহঁত ইজনে আনজনৰ প্ৰতি বিনয়ী, দুজন ব্যক্তি এক প্ৰকল্পত একেলগে অংশগ্ৰহণ কৰিবলৈ মান্তি নহয়।

৫। তলৰ বাক্যবোৰ সঁচা হয় নে নহয় নিৰ্ণয় কৰা-

_____ কোনোবাই আনৰ বিষয়ে যিদৰে ভাবে তেওঁলোকে দুখ পালেও ঠিক তেনেদৰে ক'ব লাগে।

_____ বিবাদ এৰিবলৈ মিছা কোৱাটোওঁ সম্পূৰ্ণ শুদ্ধ।

_____ মৰম আৰু দয়াৰে দ্বন্দ জয় কৰিব পাৰি।

_____ মৰমেৰে কোৱা কথা বেছি ফলদায়ক হয়।

_____ আনৰ লগত কাজিয়া কৰাটো ঠিক যদি ইয়াৰ সূত্ৰপাত আনজনৰ পৰা হয়।

_____ কোনোবা এজন অসুস্থ আৰু দুখী হোৱা সময়ছোৱাত আনৰ প্ৰতি ৰূঢ় ব্যৱহাৰ কৰিব পাৰে।

_____ আনৰ ভুল দেখি উপহাস কৰাটো দয়াৰ চিন নহয়।

_____ দুজন বন্ধুৰ মাজত ভুল বুজা-বুজি হ'লে, ইজনে আনজনৰ কাষ চাপিবলৈ বিশেষ প্ৰচেষ্টা কৰা উচিত।

_____ দুজন বন্ধুৰ মাজত ভুল বুজা-বুজি হ'লে, ইজনে সিজনৰ কাষ চাপিবলৈ যত্ন নকৰালৈকে অপেক্ষা কৰা উচিত।

## খণ্ড- ৭

তলৰ উদ্ধৃতি বিলাক অধ্যয়ণ আৰু মুখস্থ কৰক।

**"...পৰনিন্দাই অন্তৰৰ জ্যেতি নুমাই দিয়ে, আৰু আত্মাৰ জীৱন ম্লান কৰে।"**[১৬]

**"যেতিয়ালৈকে তুমি নিজেই পাপী তেতিয়ালৈকে আনৰ পাপৰ কথাৰ উশ্বাসো নল'বা।"[১৭]**

**"বেয়া কথা নক'বা, যাতে তোমাক উদ্দেশ্য কৰি কোৱা বেয়া কথা শুনিব নালাগে। আনৰ দোষক অতিৰঞ্জিত ৰূপ নিদিবা যাতে তোমাৰ দোষ ডাঙৰ ৰূপত প্ৰকাশ নাপায়....।"[১৮]**

**"হে অস্তিত্বৰ পুত্ৰ! নিজৰ দোষ তুমি কেনেকৈ পাহৰিব পাৰিছা আৰু আনৰ দোষত নিজক ব্যস্ত ৰাখিব পাৰিছা।"[১৯]**

১। পৰনিন্দা কৰা জনৰ ওপৰত ইয়াৰ কি প্ৰভাৱ পৰে ? ____________________

____________________

২। আনৰ পাপৰ বিষয়ে চিন্তা কৰিবলৈ যোৱাৰ আগেয়ে আমি কি বিষয়ত সাৱধান হ'ব লাগে ? ____

____________________

৩। আনৰ দোষ অতিৰঞ্জিত কৰিলে আমাৰ কি হ'ব ? ____________________

____________________

৪। আনৰ দোষ চিন্তা কৰিবলৈ যাওঁতে আমি কি মনত ৰখা উচিত ? ____________________

____________________

## খণ্ড- ৮

উপৰোক্ত উদ্ধৃতিবোৰ মনত ৰাখি তলৰ অনুশীলনী বোৰ পূৰণ কৰক।

১। আনৰ দোষৰ ওপৰত মনযোগ কেন্দ্ৰিত কৰা লোকৰ আত্মাৰ প্ৰগতিত কি প্ৰভাৱ পৰে ? ______

____________________

২। সমুদায়ত পৰনিন্দাৰ প্ৰভাৱ কি ? ____________________

____________________

৩। বন্ধু এজনে লোকৰ দোষ গাবলৈ আৰম্ভ কৰিলে আপুনি কি কৰিব ? ____________________

____________________

৪। তলৰ বাক্যবোৰ সঁচা হয় নে নহয় নিৰ্ণয় কৰক।

____ যদি কাৰোবাৰ প্ৰকৃত দোষৰ বিষয়ে কোৱা হয় তেন্তে তাক পৰনিন্দা নোবোলে।

____ এজন লোকৰ ভাল আৰু বেয়া গুণৰ কথা একেলগে ক'লেও তাক পৰনিন্দা কৰা নুবুজায়।

____ পিছত নিন্দা কৰাটো আমাৰ সমাজৰ এটা দস্তুৰ হৈ পৰিছে। এইটো ত্যাগ কৰিবলৈ আমি অনুশাসনৰ উন্নতি সাধন কৰিব লাগিব।

____ শুনোতাজনে যদি প্ৰতিজ্ঞা কৰে যে আনৰ বিষয়ে আমি কোৱা কথাখিনিৰ তেওঁ পুনৰাবৃত্তি নকৰিব তেন্তে পৰ নিন্দা কৰাৰ পৰা অনিষ্ট নহয়।

____ একতাৰ ডাঙৰ শত্ৰুবোৰৰ ভিতৰত পৰনিন্দাও এটা।

_____ সদায় আনৰ বিষয়ে কোৱাটোৱেই যদি আমি অভ্যাসত পৰিণত কৰো তেন্তে পৰ নিন্দাৰ ভয়াৱহতাৰ কৱলত পৰিব লাগিব।

_____ স্থানীয় আধ্যাত্মিক সভাত কোনো সমিতিত সদস্যতাৰ নাম নিৰ্ধাৰণ কৰাৰ বাবে, যেতিয়া বিভিন্ন লোকৰ সামৰ্থৰ বিষয়ে আলোচনা কৰা হয় তেতিয়া তাক পৰনিন্দা বুলি ক'ব পাৰি।

_____ যেতিয়া আমাৰ পৰনিন্দা কৰাৰ প্ৰৱণতা জাগে তেতিয়া আমাৰ নিজৰ দোষ ক্ৰুটিৰ কথা চিন্তা কৰা উচিত।

_____ যেতিয়া আমি জানিব পাৰো যে এজন ব্যক্তিয়ে এনে কাম কৰি আছে য'ত প্ৰভূধৰ্ম তথা সমাজৰ ক্ষতি হ'ব পাৰে তেতিয়া আমি সমুদায়ৰ অন্য সদস্য সকলৰ সৈতে আলোচনা কৰিব লাগে।

_____ যেতিয়া আমি জানিব পাৰো যে এজন ব্যক্তিয়ে এনে কাম কৰি আছে য'ত প্ৰভূধৰ্ম তথা সমাজৰ ক্ষতি হ'ব পাৰে তেতিয়া আমি কেৱল স্থানীয় আধ্যাত্মিক সভাত জনোৱা উচিত।

_____ স্বামী-স্ত্ৰীৰ মাজত কোনো কথাই গোপনে নাথাকে, গতিকে তেওঁলোকৰ মাজত আনৰ দোষ-ক্ৰুটি লৈ আলোচনা হ'লে সেয়া দোষনীয় নহয়।

## খণ্ড ৯

আৰম্ভনীতে উল্লেখ কৰাৰ দৰে এই অধ্যায়ৰ উদ্দেশ্য হৈছে প্ৰতিদিনে পবিত্ৰ লিখনীবোৰৰ অধ্যয়ন কৰা আৰু তাৰ অৰ্থৰ ওপৰত চিন্তনৰ অভ্যাস গঢ়ি তোলা। প্ৰতিদিনে ৰাতিপুৱা আৰু গধূলি ঈশ্বৰৰ বাণীৰ অধ্যয়ন কৰা হৈছে আমাৰ আধ্যাত্মিক উন্নতিৰ বাবে বাহাউল্লাৰ উপদেশ। নিম্নোক্ত উদ্ধৃতিয়ে এই অনিবাৰ্য্য দায়িত্ব পূৰণ কৰাৰ ফলত লাভ কৰা আশীৰ্বাদক মনলৈ আনে, আৰু আপোনাক ইয়াক মুখস্থ কৰিবলৈ প্ৰেৰিত কৰা হ'ল।

> **"নিজকে মোৰ লিখনিৰ মহাসাগৰত নিমজ্জিত কৰা যাতে তুমি ইয়াৰ গভীৰতাত লুকাই থকা মনি-মুকুটাৰ উদ্ঘাটন কৰিব পাৰা।"**[২০]

এই অধ্যায় শেষ কৰাৰ পিছত আপুনি বাহাউল্লাৰ লিখনিৰ এখন কিতাপ বিচাৰিব পাৰে আৰু ইয়াৰ পৰা প্ৰতিদিনে লিখনি পাঠ কৰিব পাৰে। আৰম্ভণীৰ বাবে বাহাউল্লাৰ নিগূঢ় বাণী নামৰ কিতাপখন এক ভাল বাচনি।

## REFERENCES


1. Bahá'u'lláh, cited by Shoghi Effendi, The Advent of Divine Justice (Wilmette: Bahá'í Publishing Trust, 2006, 2018 printing), par. 39, pp. 36–37.

2. Gleanings from the Writings of Bahá'u'lláh (Wilmette: Bahá'í Publishing Trust, 1983, 2017 printing), CXXXIX, par. 8, p. 345.

3. Bahá'u'lláh, The Hidden Words (Wilmette: Bahá'í Publishing Trust, 2003, 2012 printing), Arabic no. 31, p. 11.

4. Ibid., Persian no. 5, p. 24.

5. Ibid., Persian no. 69, p. 46.

6. 'Abdu'l-Bahá, cited by Shoghi Effendi, The Advent of Divine Justice, par. 40, p. 39.

7. Ibid.

8. Gleanings from the Writings of Bahá'u'lláh, CXXXVI, par. 6, p. 336.

9. Tablets of Bahá'u'lláh Revealed after the Kitáb-i-Aqdas (Wilmette: Bahá'í Publishing Trust, 1988, 2005 printing), no. 9.5, p. 138

10. Gleanings from the Writings of Bahá'u'lláh, CXXXVII, par. 3, p. 338.

11. Ibid., CXXXII, par. 5, p. 327.

12. Will and Testament of 'Abdu'l-Bahá (Wilmette: Bahá'í Publishing Trust, 1944, 2013 printing), p. 26.

13. Gleanings from the Writings of Bahá'u'lláh, V, par. 5, p. 8.

14. From a talk given on 16 and 17 October 1911, published in Paris Talks: Addresses Given by 'Abdu'l-Bahá in 1911 (Wilmette: Bahá'í Publishing, 2006, 2016 printing), no. 1.7, p. 6.

15. From a talk given by 'Abdu'l-Bahá on 21 October 1911, ibid., no. 6.7, p. 22.

16. Gleanings from the Writings of Bahá'u'lláh, CXXV, par. 3, p. 300.

17. The Hidden Words, Arabic no. 27, p. 10.

18. Ibid., Persian no. 44, p. 37.

19. Ibid., Arabic no. 26, p. 10.

20. Gleanings from the Writings of Bahá'u'lláh, LXX, par. 2, p. 154.



# প্ৰাৰ্থনা

## উদ্দেশ্য

প্ৰাৰ্থনাৰ মহত্বৰ ওপৰত চিন্তন কৰা আৰু
প্ৰতিদিনে প্ৰাৰ্থনা কৰাৰ অভ্যাসক মজবুত কৰা

## খণ্ড- ১

ৰুহী প্ৰতিষ্ঠানৰ পাঠ্যক্ৰমবোৰ প্ৰতিভাগী সকলক এক সেৱাৰ পথত আগবঢ়াত সহায় কৰাৰ উদ্দেশ্যেৰে সৃষ্টি কৰা হৈছে। এক দ্বৈত নৈতিক উদ্দেশ্যই এই পথত আগবঢ়াৰ বাবে প্ৰেৰিত কৰে - আধ্যাত্মিক আৰু বৌদ্ধিকভাৱে বিকশিত হোৱা আৰু সমাজৰ ৰূপান্তৰণত অৱদান আগবঢ়োৱা। আমাৰ উদ্দেশ্যৰ এই দুয়োটা অংশই এটা আনটোৰ সৈতে অবিভাজ্য। বাহাউল্লাই এক অনুচ্ছেদত কয়-

> **"তোমাৰ নিজৰ চিন্তাত নিজকে ব্যস্ত নাৰাখিবা, নিজৰ মনযোগ তাত কেন্দ্ৰিত কৰা যি মানৱজাতিৰ সৌভাগ্যক পুন:স্থাপিত কৰিব আৰু মানুহৰ হৃদয় আৰু আত্মাক বিশুদ্ধ আৰু পবিত্ৰ কৰিব।"[১]**

আন এক উদ্ধৃতিত তেওঁ এয়া স্পষ্ট কৰে।

> **".... যি উদ্দেশ্যেৰে মৰণশীল মানৱক নিখুট অস্তিত্বহীনতাৰ পৰা অস্তিত্বৰ জগতলৈ লৈ অনা হৈছিল সেয়া হৈছে, যাতে সিহঁতে মানৱতাৰ প্ৰগতিৰ বাবে কাৰ্য কৰিব পাৰে, আৰু একেলগে বুজা-পৰা আৰু সামঞ্জস্যতাত বাস কৰিব পাৰে।"[২]**

আমাৰ আভ্যন্তৰীন অৱস্থাৰ সন্দৰ্ভত তেঁও স্পষ্ট কৰে:

> 'পবিত্ৰ হৃদয় হৈছে এক দাপোন; ইয়াক প্ৰেমৰ সাম্মাৰ্জনাৰে পৰিস্কাৰ কৰা আৰু ঈশ্বৰৰ বাহিৰে আন সকলোৰে পৰা পৃথক কৰা, যাতে তাত প্ৰকৃত সূৰ্য প্ৰকাশিত হ'ব পাৰে আৰু অনন্ত ৰাতিপুৱাৰ উদয় হ'ব পাৰে।' [৩]

আৰু আব্দুল বাহাই আমাক কয়:

> **"তোমাৰ হৃদয় হব লাগিব পবিত্ৰ আৰু উদ্দেশ্য নিস্কপট যাতে তুমি দৈবিক কৃপাৰ লাভকাৰী হ'ব পাৰা ।"[৪]**

১. আমাৰ চিন্তা আৰু উদ্বেগবোৰৰ কেন্দ্ৰ কি হোৱা উচিত ? ____________________________

____________________________________________________________

২. কি উদ্দেশ্যৰ বাবে আমি নিখুট অস্তিত্বহীনতাৰ পৰা অস্তিত্বৰ জগতলৈ পদাৰ্পন কৰিছো ? ______

____________________________________________________________

____________________________________________________________

____________________________________________________________

৩. কিহৰ দ্বাৰা আমি আমাৰ হৃদয়ৰ দাপোনক পৰিস্কাৰ কৰিব লাগে ? ____________________

____________________________________________________________

৪. এনে কিছুমান অৱস্থা কি যি দিব্য কৃপাক আকৰ্ষিত কৰে ? ___________________________

____________________________________________________________

৫. তলৰ কোনবোটো সত্য হয়নে ?

- প্ৰথমে তুমি নিজৰ যত্ন লোৱা উচিত, পিছত তুমি আনৰ যত্ন ল'ব পাৰিবা।
- যদিহে তুমি সদায় আনক সহায় কৰা, তুমি নিজৰ লক্ষ্যৰ পৰা দৃষ্টি আঁতৰাই পেলাবা।
- তুমিয়েই তোমাৰ আটাইতকৈ ভাল বন্ধু।
- আটাইতকৈ মহত্বপূৰ্ণ এয়া বিছাৰি উলিওৱা যে তোমাক কিহে আনন্দিত কৰে।
- তোমাৰ সপোনবোৰৰ অনুসৰণ কৰা, সেইবোৰে তোমাক আনন্দৰ পথলৈ লৈ যাব।
- যেতিয়ালৈকে তুমি আনৰ ক্ষতি নকৰা, তুমি কি কৰা সেয়া মহত্বপূৰ্ণ নহয়।
- যেতিয়ালৈকে তুমি কিবা নহয় কিবা ভাল কাম কৰা, তোমাৰ উদ্দেশ্য স্বাৰ্থপূৰ্ণ হোৱাটো বেয়া নহয়।

## খণ্ড-২

দ্বৈত নৈতিক উদ্দেশ্যৰ আমাৰ বোধমগ্যতা এই দৃঢ়বিশ্বাসৰ পৰা আহে যে আমাক প্ৰত্যেককেই মহৎ ৰূপত সৃষ্টি কৰা হৈছে। বাহাউল্লাই কয়:

> **" হে চেতনাৰ পুত্ৰ ! মই তোমাক সমৃদ্ধিশালী ৰূপে স্ৰজন কৰিছিলো, তথাপিও কিয় তুমি নিজকে দৰিদ্ৰতাৰ পিনে লৈ গৈছা ? মই তোমাক মহৎ কৰিয়েই গঢ়িছিলো, তথাপিও কিয় তুমি নিজকে পতিত কৰিছা ? জ্ঞানৰ সাৰভাগৰ পৰাই মই তোমাক অস্তিত্ব প্ৰদান কৰিছিলোঁ, তথাপিও কিয় তুমি মোৰ বাহিৰে আনৰপৰা আত্মবোধ আহৰণ কৰিবলৈ বিচাৰিছা ? প্ৰেম পঙ্কৰ পৰাই মই তোমাক গঢ়িছোঁ, কিদৰে তুমি আনৰ লগত নিজকে ব্যস্ত কৰিছা ? নিজৰ পিনেই তোমাৰ দৃষ্টি উন্মুখ কৰা, যাতে তুমি তোমাৰ হিয়াতেই মোক ক্ষমতাবান, শক্তিশালী আৰু স্বয়ং-জীৱন্তৰূপে বিৰাজমান দেখিবলৈ পোৱা।"[৫]**

খালীঠাই বোৰ পূৰণ কৰা কাৰ্যই আপোনাক উপৰোক্ত উদ্ধৃতি ওপৰত চিন্তন কৰাত সহায় কৰিব।

হে চেতনাৰ পুত্ৰ! মই তোমাক _________ ৰূপে স্ৰজন কৰিছিলো, তথাপিও কিয় তুমি নিজকে _________ পিনে ________ ? মই তোমাক _________ কৰিয়েই গঢ়িছিলো, তথাপিও কিয় তুমি নিজকে ___________ কৰিছা ? _________ ৰ ___________ তোমাক অস্তিত্ব প্ৰদান কৰিছোঁ, তথাপিও কিয় তুমি মোৰ বাহিৰে আনৰ পৰা _________ কৰিবলৈ বিচাৰিছা ? _________পৰাই মই ____________, কিদৰে তুমি আনৰ __________ কৰিছা ? নিজৰ পিনেই _________ __________, যাতে তুমি তোমাৰ হিয়াতেই মোক __________, ___________ আৰু স্বয়ং _____________ দেখিবলৈ পোৱা।

আমাৰ আত্মাৰ সাধুতাৰ সৈতে ন্যায় কৰিবলৈ হ'লে, আমি নিশ্চয় আমাৰ অস্তিত্বৰ উৎসৰ পিনে উন্মুখ হৈ আত্মবোধৰ কামনা কৰি লাগিব। এয়া কৰাৰ বাবে এক অত্যন্ত বাধ্যকাৰী পথ হৈছে প্ৰাৰ্থনা । প্ৰভূধৰ্মৰ সংৰক্ষক, শোঘী এফেন্দিয়ে এই সন্দৰ্ভত কয় যে, আমাৰ মূখ্য উদ্দেশ্য হৈছে "আধ্যাত্মিক গুণ আৰু শক্তিবোৰ আয়ত্ব কৰাৰ দ্বাৰা ব্যক্তি আৰু সমাজৰ বিকাশ সাধন কৰা। প্ৰথমে খাদ্য প্ৰদান কৰিব লগীয়াটো হৈছে মানৱ আত্মা। আৰু প্ৰাৰ্থনাই এই আধ্যত্মিক পুষ্টি প্ৰদান কৰিব পাৰে।"[৬]

## খণ্ড- ৩

ঈশ্বৰ সৰ্বজ্ঞাতা, সৰ্ববুদ্ধিমান, তেওঁ আমাক সৃষ্টি কৰিছে আৰু আমাৰ হৃদয়ত কি আছে আৰু আমৰ বাবে কি উৎকৃষ্ট তাৰ বিষয়ে জ্ঞাত। তেন্তে আমি প্ৰাৰ্থনা কিয় কৰিব লাগে ?

আব্দুল বাহাই কয়:

> **"আটাইতকৈ উচ্চ স্তৰৰ প্ৰাৰ্থনাত, মানুহে ঈশ্বৰৰ প্ৰেমৰ বাবেহে কেৱল প্ৰাৰ্থন কৰে, এইবাবে নহয় যে তেওঁক বা নৰকক ভয় কৰে তথা বদান্যতা আৰু স্বৰ্গৰ আশাত নহয়... যেতিয়া এজন মানুহে আন এজন মানুহক ভাল পায়, প্ৰেমাস্পদৰ নাম নোলোৱাকৈ থকাটো তেওঁৰ বাবে অসম্ভৱ হয়। তেন্তে কোনোবা এজনে যদি ঈশ্বৰক ভাল পায়, তেনেহ'লে তেওঁৰ নাম নোলোৱাকৈ থকাটো আৰু কিমান বেছি টান হ'ব.... ঈশ্বৰ স্মৰণৰ বাহিৰে আন একোতেই আধ্যাত্মিক ব্যক্তি এজনে আনন্দ নাপায়।"[৭]**

আৰু এক প্ৰশ্নৰ উত্তৰত, তেওঁ বৰ্ণনা কৰে:

> **"যদি এজন বন্ধুৱে আন এজনক ভাল পায়, সেইজনে তেওঁক কবলৈ ইচ্ছা কৰাটো স্বাভাৱিক নহয়নে ? যদিও তেওঁ জানে যে তেওঁৰ বন্ধুজন তেওঁৰ ভালপোৱাৰ বিয়য়ে জ্ঞাত, তথাপিও তেওঁৰ প্ৰেমৰ বিষয়ে বন্ধুজনক কবলৈ ইচ্ছা নকৰেনে?... এয়া সত্য যে ঈশ্বৰে সকলোৰে অন্তৰৰ ইচ্ছা জানে; কিন্তু প্ৰাৰ্থনাৰ প্ৰতি উদ্বেগ হৈছে এক স্বাভাৱিক ভাৱ, ই ঈশ্বৰৰ প্ৰতি মানুহৰ ভালপোৱাৰ পৰা নিগৰিত হয়।"[৮]**

১। তলৰ বাক্যাবোৰ পূৰণ কৰা।

ক. আটাইতকৈ ______________ প্ৰাৰ্থনাত আমি ____________ কেৱল প্ৰাৰ্থনা কৰা উচিত। তেওঁক বা _______________ কৰি নহয় তথা বদান্যতা আৰু _______________ নহয়।

খ. যদি _________________ আন এজন __________________ মানুহক __________ _________________ পায়, তেওঁৰ _______________ নোলোৱাকৈ ____________ __________ থকাটো __________________ অসম্ভৱ হয়।

গ. ঈশ্বৰ ________________ বাহিৰে আন একোতেই ______________________ মানুহ এজনে _________________ নাপায়।

২. আমি কিয় প্ৰাৰ্থনা কৰোঁ ? ___________________________________________________

___________________________________________________________________

৩. 'ঈশ্বৰ স্মৰণ' এই বাক্যাংশৰ অৰ্থ কি ? __________________________________

___________________________________________________________________

৪. এজন ব্যক্তিৰ বাবে আটাইতকৈ তীব্ৰ ইচ্ছা কি, যি আন এজনক ভাল পায় ? _______

___________________________________________________________________

___________________________________________________________________

৫. প্ৰাৰ্থনা কৰাৰ উদ্বেগ ক'ৰ পৰা নিগৰিত হয় ? _____________________________

## খণ্ড- ৪

বাহাউল্লাৰ দ্বাৰা প্ৰকাশিত প্ৰাৰ্থনাত, আমি পঢ়োঁ

> **"মই মিনতি কৰোঁ... মোৰ প্ৰাৰ্থনাক কৰি তোলা এক অগ্নি যি মোক তোমৰ সৌন্দৰ্যৰ পৰা দুৰত ৰখা সেই সকলো আৱৰণ পুৰি পেলাব পাৰে, আৰু কৰি তোলা এক পোহৰ যি তোমাৰ অস্তিত্বৰ মহাসাগৰলৈ লৈ যায়।"[৯]**

একেটি প্ৰাৰ্থনাত আমি ঈশ্বৰৰ পৰা খোজোঁ:

> **"হে মোৰ ঈশ্বৰ, মোৰ প্ৰাৰ্থনাক, এটি জীৱন্ত নিজৰাৰ দৰে কৰা, য'ত তোমাৰ সাৰ্বভৌমত্ব থকালৈকে মই জীয়াই থাকিব পাৰোঁ আৰু বিশ্ব ব্ৰহ্মাণ্ডৰ প্ৰত্যেক জগততেই তোমাৰ নাম উচ্চাৰণ কৰিব পাৰোঁ।"[১০]**

১. কি অৰ্থত প্ৰাৰ্থনা এক অগ্নি ? ই কি পুৰি পেলায় ? ____________________

____________________

২. কিছুমান আৱৰণ উল্লেখ কৰা যি আমাক ঈশ্বৰৰ পৰা দুৰত ৰাখে: ____________________

____________________

____________________

৩. প্ৰাৰ্থনা পোহৰৰ দৰে হ'ব পাৰে নে? ই আমাক ক'লৈ পথ প্ৰদৰ্শিত কৰে ? ____________________

____________________

____________________

৪. প্ৰাৰ্থনা জীৱন্ত নিজৰাৰ দৰে হ'ব পাৰেনে? ই আমাৰ আত্মাক কি প্ৰদান কৰে ? ____________________

____________________

____________________

____________________

____________________

## খণ্ড- ৫

আব্দুল বাহাৰ তলৰ শব্দবোৰ পঢ়ি সেইবোৰৰ ওপৰত ধ্যান কৰক:

> **"প্ৰাৰ্থানাতকৈ আৰু মধুৰ বস্তু এই অস্তিত্বৰ জগতত নাই। মানুহ প্ৰাৰ্থনা পূৰ্ণ অৱস্থাত বাস কৰিব লাগে। প্ৰাৰ্থনা আৰু আন্তৰিক বিনীত অৱস্থাই হৈছে আটাইতকৈ আশীৰ্বাদিত অৱস্থা। প্ৰাৰ্থনা হৈছে ঈশ্বৰৰ লগত হোৱা কথোপকথন। মহানতম প্ৰাপ্তি বা আটাইতকৈ সুমধুৰ অৱস্থা ঈশ্বৰৰ লগত হোৱা কথোপকথনৰ বাহিৰে আন একো নহয় । ই আধ্যাত্মিক ভাৱৰ সৃষ্টি কৰে, স্বৰ্গীয় অনুভূতি আৰু মানসিক একাগ্ৰতাৰ সৃষ্টি কৰে, ঈশ্বৰ সাম্ৰাজ্যৰ প্ৰতি নতুন আকৰ্ষণ জন্ম দিয়ে আৰু উচ্চস্তৰ বুদ্ধিমত্তাৰ প্ৰতি সংবেদনশীলতা উৎপন্ন কৰে।"[১১]**

১। অস্তিত্বৰ জগতত আটাইতকৈ মধুৰ অৱস্থাটো কি ? ______________________________

______________________________

২। "প্ৰাৰ্থনাপূৰ্ণ অৱস্থা" বাক্যাংশই কি বুজায় ?______________________________

______________________________

______________________________

৩। প্ৰাৰ্থনাৰ দ্বাৰা সৃষ্ট কেইটামান বৈশিষ্ট উল্লেখ কৰা: ______________________________

______________________________

______________________________

৪। প্ৰাৰ্থনাৰ পৰা সৃষ্টি হোৱা কেইটামান অৱস্থাৰ বিষয়ে উপৰোক্ত খণ্ডবোৰত কৰা অধ্যয়নৰ আধাৰত প্ৰাৰ্থনাৰ বৈশিষ্ট কেইটামান উল্লেখ কৰা।

– প্ৰাৰ্থনা হৈছে ______________________________

– প্ৰাৰ্থনা হৈছে ______________________________

– প্ৰাৰ্থনা হৈছে ______________________________

– প্ৰাৰ্থনা হৈছে ______________________________

– প্ৰাৰ্থনা হৈছে ______________________________

## খণ্ড- ৬

তলত দিয়া বাহাউল্লাৰ শব্দবোৰ পঢ়ক আৰু সেইবোৰৰ ওপৰত ধ্যান কৰক।

> **"হে মোৰ সেৱক, তুমি লাভ কৰা ঈশ্বৰৰ স্তোত্ৰবোৰ, ঈশ্বৰৰ প্ৰিয় ভক্তসকলে যিদৰে সুৰ লগাই গায়, সেইবোৰ সুৰ লগাই গোৱা যাতে তোমাৰ সুৰৰ মূৰ্চ্ছনাই তোমাৰ নিজৰ আত্মাক প্ৰজ্বল্লিত কৰি পাৰে আৰু সকলো মানুহৰ অন্তৰ আকৰ্ষিত কৰিব পাৰে। যেতিয়া কোনোৱাই শোৱনীকোঠাৰ নিভৃত কোণত ঈশ্বৰৰ প্ৰকাশিত স্তোত্ৰবোৰ আবৃত্তি কৰে, তেতিয়া সৰ্বশক্তিমান ঈশ্বৰৰ দূতসকলে স্তোত্ৰবোৰৰ আমোলমোলোৱা গোন্ধ চাৰিওফালে বিক্ষিপ্ত কৰে আৰু প্ৰতিজন ঈশ্বৰভক্তৰ অন্তৰত স্পন্দনৰ সঞ্চাৰ কৰে। প্ৰথমতে, যদিও তেওঁ ইয়াৰ ফলৰ বিষয়ে অবজ্ঞ হৈ ৰয়, তথাপিতো তেওঁ পাবলগীয়া দয়াৰ গুণসমূহে সোনকালে বা দেৰিকৈ হ'লেও তেওঁৰ আত্মাৰ ওপৰত প্ৰভাৱ পেলায়। ঈশ্বৰৰ মহিমাৰ ৰহস্য তোমাৰ ওপৰত তেওঁৰ ইচ্ছাৰ দ্বাৰা এইদৰেই আদেশিত কৰা হৈছে যি শক্তি আৰু বিবেকৰ উৎস ।"**[১২]

১। 'সুৰ লগাই গোৱা' বাক্যাশংই কি বুজায় ?______________________________

______________________________

২। ঈশ্বৰৰ স্তোত্ৰবোৰ আমি কিদৰে সুৰ লগাই গাব লাগে ? ______________________________

______________________________

______________________________

______________________________

৩। 'আবৃত্তি' শব্দটোৱে কি বুজায় ? ________________________________

________________________________________________

________________________________________________

৪। 'বিক্ষিপ্ত' শব্দই কি বুজায় ? ________________________________

________________________________________________

________________________________________________

৫। আমাৰ সুৰৰ মূৰ্চ্ছনাই আমাৰ আত্মাৰ ওপৰত কি প্ৰভাৱ পেলাব ? ________________

________________________________________________

________________________________________________

৬। আমাৰ সুৰৰ মূৰ্চ্ছনাই আনৰ অন্তৰত কি প্ৰভাৱ পেলাব ? ____________________

________________________________________________

________________________________________________

## খণ্ড- ৭

বাহাউল্লাৰ দ্বাৰা প্ৰকটিত এটি প্ৰৰ্থনাৰ পৰা লোৱা নিম্নোক্ত দুটি অনুচ্ছেদ আপুনি মুখস্থ কৰিব পাৰে।

> **"হে ঈশ্বৰ, মোৰ ঈশ্বৰ! মোৰ আশা আৰু কামবোৰলৈ নাচাবা, বৰং তোমাৰ ইচ্ছালৈ লক্ষ্য কৰা যি সকলো স্বৰ্গ আৰু পৃথিৱীকে আবেষ্টিত কৰিছে। তোমাৰ সুমহান নামৰ শপত, হে সকলো ৰাষ্ট্ৰৰ গৰাকী ! মই কেৱল তাৰেই ইচ্ছা কৰিছো যি তুমি ইচ্ছা কৰিছিলা, আৰু তুমি ভাল পোৱাটোহে মই ভাল পাইছো।"[১৩]**

> **"তুমি তেওঁলোকৰ প্ৰশংসাৰ বহুতো উৰ্দ্ধত, যিসকলে তোমাৰ নৈকট্যৰ স্বৰ্গ আৰোহণ কৰিবৰ বাবে তোমাৰ ওচৰ চাপিছে অথবা তেওঁলোকৰ সেই হৃদয় বিহঙ্গ যি সকলে তোমাৰ প্ৰৱেশ দুৱাৰত উপস্থিত হ'বলৈ নিজকে উৎসৰ্গা কৰি দিছে। মই সাক্ষী দি কৈছো যে তুমি সকলো গুণাৱলী ও সকলো নামৰ উৰ্দ্ধত পবিত্ৰ। তোমাৰ বাহিৰে আন কোনো ঈশ্বৰ নাই, তুমি সৰ্বোচ্চ, ও সৰ্ব-মহিমাময়"[১৪]**

## খণ্ড- ৮

আব্দুল বাহাই কয়:

> **"এয়া উপযুক্ত যে সেৱক সকলে প্ৰাৰ্থনা কৰি ঈশ্বৰৰ সহায় বিচাৰে, আৰু বিনম্ৰ হয় আৰু তেওঁৰ সাহাৰ্য কামনা কৰে। আৰু দাসত্বৰ এয়া স্থান লাভ কৰে যে, প্ৰভুৱে তেওঁৰ পৰিপূৰ্ণ বিবেক আনুসাৰে যি ইচ্ছা কৰে তাকেই আদেশিত কৰিব।"[১৫]**

আৰু তেওঁ বৰ্ণনা কৰে:

> **"চেতনাৰ প্ৰভাৱ আছে আৰু প্ৰাৰ্থনাৰৰ আধ্যাত্মিক ফল আছে। সেইবাবেই, আমি প্ৰাৰ্থনা কৰোঁ, 'হে ঈশ্বৰ ! এই ৰুগীয়াজনক আৰোগ্য কৰা' সম্ভৱত: ঈশ্বৰেও প্ৰত্যুত্তৰ দিব। কোনে প্ৰাৰ্থনা কৰে**

**এইটো গুৰুত্বপূৰ্ণ নে ? ঈশ্বৰে তেওঁৰ সকলো সেৱকৰ প্ৰাৰ্থনাৰ উত্তৰ দিয়ে যদিহে ই অত্যাৱশ্যকীয় হয়। তেওঁৰ দয়া বিশাল, সীমাহীন। তেওঁ এই উদ্ভিদৰ প্ৰাৰ্থনাৰো প্ৰত্যুত্তৰ দিয়ে। উদ্ভিদে অব্যক্তভাৱে প্ৰাৰ্থনা কৰে, 'হে ঈশ্বৰ মোলৈ বৰষুণ প্ৰেৰণ কৰা!' ঈশ্বৰে প্ৰাৰ্থনাৰ প্ৰত্যুত্তৰ দিয়ে আৰু উদ্ভিদ বিকশিত হয়। ঈশ্বৰে সকলোকে প্ৰত্যুত্তৰ দিব।"**[১৬]

এয়া স্বাভাৱিক যে আমাৰ প্ৰাৰ্থনাত আমি ঈশ্বৰৰ পৰা আমাৰ প্ৰয়োজনীয়তাবোৰ খোজো। এইদৰে আমি নিজৰ আৰু আমাৰ প্ৰিয়জনৰ স্বাস্থ্যৰ বাবে প্ৰাৰ্থনা কৰোঁ। আমি সেৱাদানৰ পথত শক্তি, বিশ্বাস আৰু সম্পুষ্টিৰ কামনা কৰোঁ। আমি ঈশ্বৰলৈ প্ৰাৰ্থনা কৰাৰ সময়ত এয়া মনত ৰখা উচিত যে এই জীৱনত আমাৰ উদ্দেশ্য হৈছে আমাৰ ঈচ্ছাক তেওঁৰ ইচ্ছাৰ সৈতে সমান্তৰাল কৰা। সেয়েহে আমি তেওঁৰ ইচ্ছাকেই প্ৰদান কৰাৰ বাবে প্ৰাৰ্থনা কৰিব লাগে আৰু তাত সমৰ্পিত হ'বলৈ সাজু থাকিব লাগে। যদিহে আব্দুল বাহাৰ নিম্নোক্ত শব্দবোৰ মনত ৰাখে ই প্ৰত্যেক সময়তে আপোনাৰ বাবে আনন্দ আৰু আশ্বাসৰ এক উৎস হৈ ৰ'ব।

**হে তুমি যি নিজৰ মুখমণ্ডল ঈশ্বৰৰ পিনে উন্মুখ কৰিছা! নিজৰ চকু আন সকলোৰে পৰা মুদি লোৱা আৰু তাক সৰ্বমহানৰ সাম্ৰাজ্যৰ পিনে খোলা। তুমি যি বিচৰা কেৱল তেওঁৰ পৰাই বিচৰা। এক দৃষ্টিত তেও এশ হেজাৰ আশাৰ প্ৰদান কৰে, এক পলকত তেওঁ এশ হেজাৰ দুৰাৰোগ্যক নিৰাময় কৰে, এক চিহ্নত তেওঁ সকলো জখমত মলম লগায়, এক আভাসত তেওঁ অসংখ্য হৃদয়ক দুখৰ চকলৰ পৰা মুক্ত কৰে। তেওঁ যি কৰে তাকেই কৰে, আৰু তাত আমাৰ কি উপায়? তেওঁ তেওঁৰ ইচছাক সম্পাদন কৰে, তেওঁ তাকেই বিধিত কৰে যি তেওঁৰ বাবে সন্তোষজনক। সেয়েহে তোমাৰ পক্ষে এয়াই উচিত হ'ব যে তুমি সমৰ্পনত নিজৰ মুৰ দোওৱা, আৰু তোমাৰ সম্পূৰ্ণ ভৰষা সৰ্বদয়াময় প্ৰভুৰ ওপৰত ৰাখা।**

## খণ্ড- ৯

এতিয়ালৈকে আমি যি অধ্যয়ন কৰিলো, তাৰ আধাৰত এয়া স্পষ্ট যে আমাৰ আধ্যাত্মিক জীৱনৰ বাবে ঈশ্বৰৰ পিনে প্ৰাৰ্থনাপূৰ্ণ ভাৱে উন্মুখ হোৱাটো অতি আৱশ্যকীয়। বিশেষকৈ এয়া কিমান মধুৰ যে শুই উঠাৰ ঠিক পাছত আৰু ৰাতি বিছনালৈ যোৱাৰ আগত ঈশ্বৰক প্ৰাৰ্থনা কৰো। প্ৰতিদিনে আমি কিমান সময় বা কিমানটা প্ৰাৰ্থনা কৰোঁ সেয়া আমাৰ আধ্যাত্মিক তৃষ্ণাৰ ওপৰত নিৰ্ভৰ কৰে। যি কোনো উপলক্ষতেই আমি বাহাউল্লা, বাব বা আব্দুল বাহাৰ দ্বাৰা প্ৰকটিত কৰা অসংখ্য প্ৰাৰ্থনাৰ পৰা যিকোনো প্ৰাৰ্থনা বাচি ল'ব পাৰোঁ। তাৰোপৰি, বাহাউল্লাই তিনিটা অনিবাৰ্য প্ৰাৰ্থনা প্ৰকটিত কৰিছে। শোঘি এফেন্দিয়ে কয়:

**"প্ৰতিদিনৰ বাবে অনিবাৰ্য প্ৰাৰ্থনাৰ সংখ্যা তিনিটা। আটাইতকৈ চুটি প্ৰাৰ্থনাটোত য'ত মাত্ৰ এটি স্তোত্ৰ আছে, প্ৰতি চৌব্বিশ ঘন্টাৰ ভিতৰত দুপৰীয়া এবাৰকৈ পাঠ কৰিব লাগে। মজলীয়া প্ৰাৰ্থানাটো যি এই শব্দেৰে আৰম্ভ হয় "প্ৰভুৱেই ইয়াৰ সাক্ষী যে তেওঁৰ বাহিৰে আন কোনো ঈশ্বৰ নাই" দিনটোত ৰাতিপুৱা, দুপৰীয়া আৰু গধূলি তিনিবাৰ গাব লাগে। এই প্ৰাৰ্থনাটিৰ সৈতে কিছুমান শাৰীৰিক ভাৱ ভঙ্গিমাও আছে। আৰু দীৰ্ঘ প্ৰাৰ্থনাটি যিটো তিনিওটাৰ ভিতৰত আটাইতকৈ বিস্তৃত, সেইটো চৌব্বিশ ঘন্টাৰ ভিতৰত এবাৰ যিকোনো সময়ত গাব পাৰি।**

**বিশ্বাসীজনে উক্ত তিনিটা প্ৰাৰ্থনাৰ ভিতৰত নিজৰ ইচ্ছাৰ অনুসৰি যিকোনো এটা বাছি লব পাৰে কিন্তু ইয়াৰ ভিতৰত এটা আৰু সেই প্ৰাৰ্থনাটোৰ বাবে থকা বিশেষ নিৰ্দ্দেশনা অনুসৰি ইয়াক কৰাটো বাধ্যাতামূলক।"**[১৮]

আৰু আগলৈ তেওঁ কয়,

> **"এই তিনিটা অনিবাৰ্য্য প্ৰাৰ্থনা আৰু আন কেইটিমান প্ৰাৰ্থনা যেনে আৰোগ্যৰ প্ৰাৰ্থনা, আহমদৰ পত্ৰ আদিত বাহাউল্লাৰ দ্বাৰা শক্তি আৰু মহত্ব প্ৰদান কৰা হৈছে, আৰু সেইবাবে সেই প্ৰাৰ্থনাবোৰ বিশ্বাসী সকলৰ দ্বাৰা তেনেদৰেই গ্ৰহন কৰ উচিত আৰু তাক প্ৰশ্নাতীত বিশ্বাস আৰু আত্মবিশ্বাসেৰে সৈতে পাঠ কৰা উচিত, যাতে সেইবোৰৰ দ্বাৰ সিঁহতে ঈশ্বৰৰ সৈতে বাৰ্তালাপত অধিক সমীপতা লাভ কৰিব পাৰে আৰু নিজেকে তেওঁৰ বিধান আৰু কৰ্মবিধিৰ সৈতে একতাত লাভ কৰিব পাৰে।"[১৯]**

এই তিনিওটাৰ প্ৰতিটো অনিবাৰ্য্য প্ৰাৰ্থনা ব্যক্তিগতভাৱে পাঠ কৰা হয়। দৈনিক অনিবাৰ্য্য প্ৰাৰ্থনা বিশেষ প্ৰথাৰ আধাৰত একত্ৰিত ভাৱে কৰাৰ নিয়ম বাহাই বিধানত নাই। মৃতকৰ বাবে প্ৰাৰ্থনা হৈছে একমাত্ৰ তেনে প্ৰাৰ্থনা য'ত এয়া উপদেশিত কৰা হয় যে কোনোবা এজনে তাক মৃতদেহৰ আগত পাঠ কৰে আৰু দলত থকা আন সকলোৱে মৌনভাৱে থিয় দিয়ে।

১। 'অনিবাৰ্য' শব্দটিৰ অৰ্থ কি ? ____________________

২। বাহাউল্লাই প্ৰতিদিনৰ বাবে কেইটা অনিবাৰ্য প্ৰাৰ্থনা প্ৰকটিত কৰিছে ? ____________________

৩। আমি তিনিওটা প্ৰাৰ্থনা প্ৰতিদিনে কৰিব লাগে নে ? ____________________

৪। যদিহে আমি দীঘল অনিবাৰ্য প্ৰাৰ্থনাক চিনাক্ত কৰোঁ, সেয়া দিনত কেইবাৰ কৰিব লাগে ? ____________________

৫। যদিহে মধ্যম অনিবাৰ্য্য প্ৰাৰ্থনা চিনাক্ত কৰোঁ, সেয়া কিমানবাৰ পাঠ কৰিব লাগে ? ____________________

৬। যদিহে চুটি অনিবাৰ্য্য প্ৰাৰ্থনা চিনাক্ত কৰোঁ , সেয়া কিমানবাৰ পাঠ কৰিব লাগে ? ____________________

৭। কেইটিমান প্ৰাৰ্থনা উল্লেখ কৰা য'ত বিশেষ শক্তি অৰ্পিত কৰা হৈছে ? ____________________

৮। যদিহে আপুনি ইতিমধ্যেই কৰা নাই, চুটি অনিবাৰ্য্য প্ৰাৰ্থনা মুখস্থ কৰক।

> **মই সাক্ষী দিওঁ, হে মোৰ ঈশ্বৰ, যে তোমাক জানিব আৰু তোমাৰ উপাসনা কৰিবৰ বাবে তুমি মোক সৃজন কৰিছা। মই এই মূহুৰ্তত, মোৰ শক্তিহীনতা আৰু তোমাৰ সামৰ্থ্য, মোৰ দৰিদ্ৰতা আৰু তোমাৰ ঐশ্বৰ্য্যশালীতাৰ সাক্ষ্য প্ৰদান কৰোঁ।**
>
> **"তোমাৰ বাহিৰে আন কোনো ঈশ্বৰ নাই, সংকটত সহায়, স্বয়ং-বিদ্যমান।"[২০]**

৯। আমি অনিবাৰ্য প্ৰাৰ্থনাত কি সাক্ষ্য প্ৰদান কৰোঁ ? ____________________

## খণ্ড- ১০

আমি এয়া মনত ৰখা উচিত যে, অনিবাৰ্য্য প্ৰাৰ্থনাৰ ঈশ্বৰৰ নিয়ম পালনৰ দ্বাৰা আৰু ব্যক্তিগত প্ৰাৰ্থনাবোৰৰ দ্বাৰা আমি যিদৰে পুষ্টি লাভ কৰোঁ একেদৰে যেতিয়া আমি সৰু বা ডাঙৰ দলত সামুহিক ভাৱে আনক প্ৰাৰ্থনা কৰা শুনো আমাৰ আত্মা প্ৰফুল্লিত হয়। বাহাউল্লাই আমাক কয়:

> **"তোমালোক অতি প্ৰসন্নতা আৰু সহচাৰ্য্যৰ ভাৱেৰে একত্ৰিত হোৱা আৰু দয়ালু প্ৰভুৰ দ্বাৰা প্ৰকটিত বাণী পাঠ কৰা। সেয়া কৰাৰ দ্বাৰা তোমালোকৰ আভ্যন্তৰীণ সত্বাত জ্ঞানৰ দুৱাৰ খোল খাব, আৰু তেতিয়া তোমালোকে তোমালোকৰ আত্মাক দৃঢ়তাৰে আভুষিত আৰু হৃদয়ক প্ৰকাশমান আনন্দেৰে পৰিপূৰ্ণ অৱস্থাত লাভ কৰিবা।"[২১]**

আমি সকলোৱে এই জ্ঞানৰ পৰা আনন্দ লাভ কৰোঁ যে, পৃথিৱীজুৰি এনে ভক্তিমুলক বৈঠকৰ সংখ্যা বৃদ্ধি হৈ আছে য'ত বন্ধু সকল আৰু চুবুৰীয়া একেলগে আহি ঈশ্বৰৰ সৈতে বাৰ্তালাপ কৰে। বিশ্ব ন্যায় মন্দিৰে লিখে:

> **"আধ্যাত্মিক সভা হৈছে এনে সুযোগ য'ত যিকোনো আত্মাই প্ৰবেশ কৰিব পাৰে, স্বৰ্গীয় সুবাস পান কৰিব পাৰে, প্ৰাৰ্থনাৰ মধুৰতা অনুভৱ কৰিব পাৰে, সৃজনাত্মক শব্দৰ ওপৰত চিন্তন কৰিব পাৰে, চেতনাৰ পাখীৰে উৰিব পাৰে, একমাত্ৰ প্ৰিয়তমৰ সৈতে কথা পাতিব পাৰে, সহচাৰ্য্য আৰু উমৈহতীয়া উদ্দেশ্য উৎপন্ন হয়। এনে সময়বোৰত স্বাভাৱিকতে উৎপন্ন হোৱা বিশেষকৈ, আধ্যাত্মিকভাৱে উন্নত কথোপকথনৰ ফলত 'মানৱ হৃদয়ৰ নগৰী' খোল খাব পাৰে।"[২২]**

যেতিয়া আমি প্ৰাৰ্থনা কৰিবৰ বাবে সাজু হওঁ, আমি কিছুসময় মৌনভাৱে অপেক্ষা কৰোঁ যাতে এই পাৰ্থিৱ জগতৰ চিন্তাৰ পৰা আমাৰ মন পৰিষ্কাৰ কৰিব পাৰোঁ। প্ৰাৰ্থনা কৰাৰ সময়ত আমাৰ চিন্তা ঈশ্বৰত কেন্দ্ৰিত কৰোঁ। প্ৰাৰ্থনা কৰি উঠাৰ পিছতো আমি কিছুসময় মৌন হৈ থাকো আৰু হঠাৎ আন কাৰ্যলৈ আগনাবাঢ়ো। যেতিয়া কোনো সভাত আনে প্ৰাৰ্থনা কৰি থাকে তেতিয়াও এয়া প্ৰযোজ্য। তেনে পৰিস্থিতিত আমি প্ৰাৰ্থনাৰ শব্দবোৰ মনোযোগেৰে অনুসৰণ কৰোঁ যেন আমি নিজেই প্ৰাৰ্থনা কৰি আছোঁ।

১। যেতিয়া আমি ঈশ্বৰৰ বাণী পাঠ কৰোঁ কি চেতনাৰে একত্ৰিত হোৱা উচিত ? ______________

______________________________________________

২। ঈশ্বৰৰ বাণী পাঠ কৰাৰ উদ্দেশ্যেৰে হোৱা আমাৰ সন্মিলনৰ প্ৰভাৱ কি হ'ব ?______________

______________________________________________

______________________________________________

______________________________________________

৩। ভক্তিমুলক বৈঠক সেই সুযোগ য'ত, যিকোনো আত্মা,

- ____________________________,
- ____________________________________________,
- ______________________________________________________,

- ____________________________________________________, আৰু
- ________________________________________________________________

৪। ভক্তিমুলক বৈঠকত কি ভাৱৰ সুচনা হয় ? ______________________________

________________________________________________________________

৫। ভক্তিমুলক বৈঠকত স্বাভাবিকতেই উৎপন্ন হোৱা আধ্যাত্মিকভাৱে উন্নত বাৰ্তালাপৰ প্ৰভাৱ কি ?

________________________________________________________________

________________________________________________________________

৬। অকলশৰে অথৱা সভাত প্ৰাৰ্থনা কৰাৰ সময়ত ধাৰণ কৰিবলগীয়া সন্মানপূৰ্বক অভিবৃত্তিৰ বিষয়ে বৰ্ণনা কৰা।

________________________________________________________________

________________________________________________________________

________________________________________________________________

________________________________________________________________

________________________________________________________________

________________________________________________________________

________________________________________________________________

## খণ্ড- ১১

এই কিতাপৰ প্ৰথম অধ্যায়ত প্ৰতিদিনে পবিত্ৰ লিখনিৰ অধ্যয়ন কৰা আৰু ইয়াৰ অৰ্থৰ ওপৰত চিন্তন কৰাৰ অভ্যাসৰ ওপৰত কেন্দ্ৰিত আছিল। আৰু এতিয়া আপুনি প্ৰাৰ্থনাৰ মহত্বৰ বিষয়ে আলোচনা কৰিলে, ফলস্বৰূপে, প্ৰতিদিনে প্ৰাৰ্থনা কৰাৰ অভ্যাসক পুনৰ: সজ্জীৱিত কৰিলে। পূৰ্বৰ খণ্ডত আপোনালোকে সামুদায়িক উপাসনাৰ মহত্বৰ ওপৰত মনোনিবেশ কৰিলে। এতিয়ালৈকে আপোনালোকে অধ্যয়ন কৰা সকললিখিনিয়ে আপোনাক সেৱাৰ পথত প্ৰথম কাৰ্যৰ বাবে প্ৰস্তুত কৰিলে: যদিহে আপুনি ইচ্ছা কৰে এখন আধ্যাত্মিকসভাৰ আয়োজনৰ কৰিব পাৰে।

প্ৰথমতে আপুনি কেইটিমান প্ৰাৰ্থনা মুখস্থ কৰিব পাৰে আৰু বন্ধু সকলৰ সৈতে প্ৰস্তুত কৰিব পাৰে, আৰু একে সময়তে সমুদায়ৰ অতি কমেও এটি প্ৰাৰ্থনাসভাত অংশগ্ৰহণ কৰি তাৰ সক্ৰিয় সহযোগীসকলৰ ভিতৰত নিজকে গণনা কৰিব পাৰে। আৰু লাহে লাহে, আপুনি নিজৰ বন্ধু-বান্ধৱী, পৰিয়াল আৰু চুবুৰীয়া সকলক আমন্ত্ৰিত কৰি নিজেই এক আধ্যাত্মিক সভাৰ আয়োজনৰ কৰিব পাৰে। এই পাঠ্যক্ৰমৰ দুজন বা তিনিজন সহপাঠি একেলগে মিলি প্ৰাৰ্থনা সভা আয়োজন কৰাটোও সম্ভৱ।

যিদৰে আপোনালোকে অনুমান কৰিব পাৰে যে এক প্ৰাৰ্থনা সভা আয়োজনৰ কোনো নিৰ্দিষ্ট নিয়ম নাই। কিন্তু স্পষ্টভাৱে এয়া এনে এক সভা য'ত বন্ধুৰ এক গোট মিলিত হৈ প্ৰাৰ্থনা অৰ্পিত কৰে, লিখনিৰ কিছু অংশ পাঠ কৰে আৰু উন্নতমানৰ কথোপকথন হয়—আটাইবোৰ এক চিহ্নিতভাৱে আধ্যাত্মিক পৰিৱেশত। এক প্ৰাৰ্থনা সভাৰ সন্দৰ্ভত নিম্নলিখিতবোৰৰ প্ৰত্যেকৰে ওপৰত কিছু বাক্য লিখক।

এক উষ্ম আৰু প্ৰেমপূৰ্ণ নিমন্ত্ৰণ প্ৰদান কৰা ______________________

________________________________________

________________________________________

________________________________________

এক আদৰণীপূৰ্ণ পৰিবেশ সৃষ্টি কৰা ______________________

________________________________________

________________________________________

________________________________________

শ্ৰদ্ধাপূৰ্ণ পৰিবেশ বাহাল ৰাখা ______________________

________________________________________

________________________________________

________________________________________

আনন্দপূৰ্ণ মৈত্ৰিৰ ভাৱ প্ৰেৰিত কৰা______________________

________________________________________

________________________________________

________________________________________

আধ্যাত্মিকভাৱে উন্নত বাৰ্তালাপক প্ৰেৰিত কৰা ______________________

________________________________________

________________________________________

________________________________________

## REFERENCES


1. Gleanings from the Writings of Bahá’u’lláh (Wilmette: Bahá’í Publishing Trust, 1983, 2017 printing), XLIII, par. 4, p. 105.

2. Bahá’u’lláh, in Trustworthiness: A Compilation of Extracts from the Bahá’í Writings, compiled by the Research Department of the Universal House of Justice (London: Bahá’í Publishing Trust, 1987), no. 21, p. 5.

3. The Call of the Divine Beloved: Selected Mystical Works of Bahá’u’lláh (Haifa: Bahá’í World Centre, 2018), no. 2.43, p. 31.

4. From a talk given on 5 May 1912, published in The Promulgation of Universal Peace: Talks Delivered by ‘Abdu’l-Bahá during His Visit to the United States and Canada in 1912 (Wilmette: Bahá’í Publishing, 2012), p. 127.

5. Bahá’u’lláh, The Hidden Words (Wilmette: Bahá’í Publishing Trust, 2003, 2012 printing), Arabic no. 13, pp. 6–7.

6. From a letter dated 8 December 1935 written on behalf of Shoghi Effendi, published in Prayer and Devotional Life: A Compilation of Extracts from the Writings of Bahá’u’lláh, the Báb, and ‘Abdu’l-Bahá and the Letters of Shoghi Effendi and the Universal House of Justice, compiled by the Research Department of the Universal House of Justice (Wilmette: Bahá’í Publishing, 2019), no. 71, p. 31.

7. Words of ‘Abdu’l-Bahá, cited by J. E. Esslemont, Bahá’u’lláh and the New Era: An Introduction to the Bahá’í Faith (Wilmette: Bahá’í Publishing, 2006, 2017 printing), p. 106.

8. Ibid.

9. Bahá’u’lláh, in Bahá’í Prayers: A Selection of Prayers Revealed by Bahá’u’lláh, the Báb, and ‘Abdu’l-Bahá (Wilmette: Bahá’í Publishing Trust, 2002, 2017 printing), pp. 7–8.

10. Ibid., p. 9.

11. Words of ‘Abdu’l-Bahá, cited in Star of the West, vol. 8, no. 4 (17 May 1917), p. 41.

12. Gleanings from the Writings of Bahá’u’lláh, CXXXVI, par. 2, p. 334; also in Bahá’í Prayers, p. iii.

13. Bahá’u’lláh, in Bahá’í Prayers, pp. 8–9.

14. Ibid., p. 12.

15. ‘Abdu’l-Bahá, in Prayer and Devotional Life, no. 24, p. 7.

16. From a talk given by ‘Abdu’l-Bahá on 5 August 1912, published in The Promulgation of Universal Peace, p. 345. Prayer – 27

17. Selections from the Writings of ‘Abdu’l-Bahá (Wilmette: Bahá’í Publishing, 2010, 2015 printing), no. 22.1, pp. 75–76.

18. From a letter dated 10 January 1936 written on behalf of Shoghi Effendi, published in Prayer and Devotional Life, no. 61, p. 25.

19. From a letter dated 10 January 1936 written on behalf of Shoghi Effendi, quoted in Bahá'í Prayers, p. 301.

20. Bahá'u'lláh, in Bahá'í Prayers, p. 4.

21. Bahá'u'lláh, in Prayer and Devotional Life, no. 68, p. 29.

22. From a message dated 29 December 2015, published in Framework for Action: Selected Messages of the Universal House of Justice and Supplementary Material, 2006–2016 (West Palm Beach: Palabra Publications, 2017), no. 35.49, p. 232.



# জীৱন আৰু মৃত্যু

## উদ্দেশ্য

এই ভাৱনাত উপলব্ধি কৰা যে জীৱন কেৱল পৰিৱৰ্তন

আৰু এই পৃথিৱীৰ পৰিৱৰ্তনবোৰৰ দ্বাৰা গঠিত নহয়।

কিন্তু ইয়াৰ প্ৰকৃত মহত্ব আত্মাৰ

বিকাশতহে স্থিত।

## খণ্ড-১

মানৱ আত্মা বস্তু আৰু ভৌতিক জগতৰ উৰ্ধত স্থিত। তেওঁৰ এক ভাষণত আব্দুল বাহাই বৰ্ণনা কৰে:

> **“মানুহৰ ভৌতিক শৰীৰ অণুৰ দ্বাৰা গঠিত; যেতিয়া এই অণুবোৰ ভিন্ন ভিন্ন হ’বলৈ ধৰে, ইয়াৰ বিভাজন আৰম্ভ হয় আৰু তাৰ পিছত সেয়া আহে যাক আমি মৃত্যু বুলি কওঁ।**
>
> **আত্মাৰ সৈতে এয়া ভিন্ন । আত্মা অণুৰ এক সংগঠন নহয় বা এয়া কোনো মৌলৰ দ্বাৰাও গঠিত নহয়। এয়া অবিভাজ্য অস্তিত্ব বোৰৰ ভিতৰত এক, সেয়েহে এয়া অনন্ত। এয়া ভৌতিক সৃষ্টিৰ জগতৰ সম্পূৰ্ণ বাহিৰত, এয়া অমৰ!” [১]**

১। সংগঠিত শব্দৰ অৰ্থ কি ?____________________________

২। মানৱ শৰীৰৰ দৰে আত্মাও বিভিন্ন মৌলৰ দ্বাৰা গঠিত নেকি ?________________

৩। মানৱ আত্মা এক ভৌতিক সত্বা নেকি ? ______________________

## খণ্ড-২

শোঘী এফেন্দিৰ হৈ লিখা এক পত্ৰত এয়া কোৱা হৈছে যে “মানৱ গৰ্ভধাৰণৰ সময়ত আত্মা অস্তিত্বলৈ আহে”[২], গৰ্ভধাৰণৰ অৰ্থৰ ওপৰত সোধা প্ৰশ্নৰ প্ৰত্যুত্তৰত লিখা পত্ৰত বিশ্ব ন্যায় মন্দিৰে বৰ্ণনা কৰে:

> **“জীৱবিজ্ঞানৰ এক মূহুৰ্ত বা প্ৰক্ৰিয়াৰ ৰূপত গৰ্ভধাৰণৰ সংজ্ঞা বাহাই লিখনিত পোৱা নাযায়। চিকিৎসাবিজ্ঞানৰ জগততো এই শব্দৰ প্ৰয়োগ স্পষ্ট নহয়। নিশ্চয়, গৰ্ভধাৰণৰ এক বাখ্যাত নিষেচনক বুজি পোৱা যায়। আকৌ আন এক বাখ্যা অনুসাৰে এয়া নিষেচন আৰু আৰোপনৰ পিছত সংঘটিত হয়, গৰ্ভৱস্থাৰ আগমুহূৰ্তত। সেয়েহে এয়া বুজি পোৱাটো সম্ভৱ নহবও পাৰে যে আত্মাৰ সংযোগ ভ্ৰূণৰ ভৌতিক অৱস্থাৰ সৈতে ঠিক কেতিয়া সংঘটিত হয়, এয়া সম্ভৱ যে এইধৰণৰ প্ৰশ্ন মানৱ চিন্তা বা পৰীক্ষণৰ উৰ্ধত কিয়নো ইয়াৰ সংযোগ আধ্যাত্মিক জগতৰ ৰহস্যৰ সৈতে আৰু আত্মাৰ প্ৰকৃতিৰ লগত স্থিত।”[৩]**

১। মানৱ আত্মা কেতিয়া অস্তিত্বলৈ আহে ? ______________________

২। গৰ্ভধাৰণ শব্দটোৱে জীৱবিজ্ঞানৰ কোনো সঠিক মূহুৰ্তক সুচায় নে ? ____________

## খণ্ড-৩

আত্মা আৰু শৰীৰৰ সম্বন্ধ ভৌতিক নহয়; আত্মাই কেতিয়াও শৰীৰত প্ৰৱেশ নকৰে বা শৰীৰ ত্যাগ নকৰে আৰু ভৌতিক স্থানো গ্ৰহণ নকৰে। শৰীৰৰ লগত ইয়াৰ সংযোগ দাপোনত পৰা পোহৰৰ প্ৰতিফলনৰ দৰেই। দাপোনত দেখা পোৱা পোহৰ প্ৰকৃততে তাৰ ভিতৰত নাথাকে, বাহিৰৰ কোনো এটা উৎসৰ পৰাহে ই আহে। তেনেদৰে আত্মা শৰীৰৰ ভিতৰত নাথাকে।

> **“যুক্তিসংগত আত্মা বা মানৱ চেতনা শৰীৰৰ দ্বাৰা অন্তৰ্নিহিত নহয়- অৰ্থাৎ ই শৰীৰৰ ভিতৰত প্ৰবেশ নকৰে; কিয়নো সন্নিহিত হোৱা আৰু প্ৰবেশ কৰা আদি শৰীৰৰ বৈশিষ্ট আত্মা ইয়াৰ উৰ্ধত**

**বিৰাজমান। প্ৰথমতে, ই ইয়াত প্ৰবেশেই নকৰে যে এৰাৰ পিছত ইয়াক আন গৃহৰ প্ৰয়োজন হ'ব। নহয়, বৰং শৰীৰৰ সৈতে ইয়াৰ সম্বন্ধ চাকি আৰু দাপোনৰ মাজৰ সম্পৰ্কৰ দৰেই। যেতিয়া দাপোন পৰিস্কাৰ আৰু মসৃন হৈ থাকে, তাত চাকিৰ পোহৰ প্ৰকাশিত হয়, আৰু যদিহে দাপোন ভাঙি যায় অথবা ধুলিৰে আৱৰি থাকে ইয়াৰ পোহৰ লুপ্ত হৈ থাকে।"[৪]**

১। তলৰ খালি ঠাইবোৰ পূৰ কৰা

ক. যুক্তিসংগত আত্মা বা _____________________ শৰীৰৰ দ্বাৰা অন্তৰ্নিহিত নহয়- অৰ্থাৎ ই শৰীৰৰ _________________ নকৰে।

খ. _________________________ বা মানৱ চেতনা শৰীৰৰ দ্বাৰা অন্তৰ্নিহিত নহয় কিয়নো সন্নিহিত হোৱা আৰু প্ৰবেশ কৰা ________________ বৈশিষ্ট, আৰু আত্মা ইয়াৰ ____________________।

গ. প্ৰথমতে, আত্মা শৰীৰত প্ৰবেশেই নকৰে, যে এৰাৰ পিছত ইয়াক আন ____________ৰ প্ৰয়োজন হ'ব।

ঘ. আত্মা আৰু শৰীৰৰ মাজৰ সম্বন্ধ চাকি আৰু ____________________________ ৰ দৰে।

ঙ. যেতিয়া দাপোন পৰিস্কাৰ আৰু মসৃন হৈ থাকে, ____________________________ হয়।

চ. আৰু যদিহে দাপোন ভাঙি যায় অথবা ধুলিৰে আৱৰি থাকে, ______________________।

২। ইতিমধ্যে কৰা অধ্যয়নৰ আধাৰত নিম্নলিখিত উক্তি বোৰ শুদ্ধ হয় নে নহয় পৰীক্ষা কৰক:

_____ আত্মা ভৌতিক জগতৰ অধীন নহয়।

_____ আত্মা শৰীৰৰ ভিতৰত থাকে।

_____ শৰীৰ আত্মাৰ গৰাকী।

_____ আত্মা অমৰ।

_____ এজন ব্যক্তিৰ আৰম্ভনী তেতিয়াৰ পৰা হয় যেতিয়া আত্মাই ভ্ৰূণৰ সৈতে নিজকে সংযুক্ত কৰে।

_____ জীৱন আৰম্ভ হয় যেতিয়া ব্যক্তিৰ এই পৃথিৱীত জন্ম হয়।

_____ ব্যক্তিৰ ভৌতিক অস্তিত্ব মৃত্যুৰ পিচতো অব্যাহত থাকে।

_____ প্ৰতিদিনে আমাৰ সৈতে যি ঘটে সেয়াই জীৱন।

৩। পোহৰ আৰু দাপোনৰ চবিৰ সহায়ত আত্মা আৰু শৰীৰৰ মাজৰ সম্বন্ধক বৰ্ণনা কৰক।

## খণ্ড-৪

এয়া আত্মা আৰু শৰীৰৰ মাজৰ এক অতি বিশেষ সম্বন্ধ যাৰ মিলনত মানৱৰ সৃষ্টি হয়, এই সম্বন্ধ মৰণশীল জীৱনৰ ক্ষণলৈকে হে থাকে। যেতিয়া সিঁহতৰ মাজৰ সম্পৰ্কৰ অন্ত ঘটে উভয়ে নিজৰ নিজৰ জগতলৈ গুছি যায়—শৰীৰ ধূলিৰ জগতলৈ আৰু আত্মা ঈশ্বৰৰ আধ্যাত্মিক জগতলৈ, য'ত ইয়াৰ প্ৰগতি অব্যাহত থাকে। আব্দুল বাহাই কয়:

> **"মানৱ চেতনাৰ আৰম্ভ আছে কিন্তু অন্ত নাই, ই চিৰকাল বৰ্তি থাকে।"**[৫]

তেঁওৰ এক বক্তব্যত তেওঁ এয়া স্পষ্ট কৰে:

> **"চেতনাক শৰীৰৰ প্ৰয়োজন নাই, কিন্তু শৰীৰক চেতনাৰ প্ৰয়োজন আছে, অন্যথা ই জীৱিত নাথাকিব। আত্মা শৰীৰৰ অবিহনেও জীয়াই থাকিব পাৰে কিন্তু আত্মা অবিহনে শৰীৰৰ মৃত্যু ঘটিব।"**[৬]

সংৰক্ষকে বৰ্ণনা কৰে-

> **"বাহাই শিক্ষাৰ অনুসৰি, মানুহৰ আত্মাৰ সন্দৰ্ভত: ইয়াৰ উৎপত্তি মানৱ ভ্ৰূণৰ গঠণৰ সৈতে হয় আৰু ই শৰীৰৰ পৰা পৃথক হোৱাৰ পিছতো অস্তিত্বৰ অসংখ্য স্তৰ পাৰ হৈ যায়। সেয়েহে ইয়াৰ প্ৰগতি অসীম।"**[৭]

১. উপৰোক্ত উদ্ধৃতিবোৰ মনত ৰাখি নিম্নোক্ত প্ৰশ্নবোৰৰ উত্তৰ প্ৰদান কৰক।

ক. শৰীৰক এক আত্মাৰ প্ৰয়োজন আছেনে ? ____________________

খ. আত্মাক এক শৰীৰৰ প্ৰয়োজন আছেনে ? ____________________

গ. আমাৰ মৃত্যুৰ পিছত শৰীৰ আৰু আত্মাৰ মাজৰ সম্বন্ধৰ কি হয় ? ____________________

ঘ. মৃত্যুৰ পিছত আত্মাৰ কি হয় ? ____________________

ঙ. আত্মাৰ প্ৰগতি কেতিয়ালৈ অব্যহত থাকে ? ____________________

চ. জীৱনৰ অন্ত কেতিয়া ঘটে ? ____________________________________________

________________________________________________________________

________________________________________________________________

২. তলৰ কোনবোৰ উক্তি ইতিমধ্যে আমি এই খণ্ডবোৰত পঢ়া খিনিৰ লগত মিল খায়?

_____ মৃত্যু এক দণ্ড।

_____ শৰীৰ আৰু আত্মাৰ মাজৰ সম্বন্ধ কেৱল মৰণশীল জীৱনলৈকে হে অব্যাহত থাকে।

_____ শৰীৰ অনন্ত প্ৰগতিৰ বাবে সক্ষম।

_____ আত্মা সদায় প্ৰগতি কৰিব।

_____ মৃত্যু জীৱনৰ অন্ত।

_____ এনে এদিন বিচাৰৰ সময় আহিব যেতিয়া আমাৰ শৰীৰ উঠি ঠিয় দিব।

_____ মৃত্যুৰ পিছত আত্মা আগতকৈ অধিক স্বাধীন হয়।

_____ মৃত্যুৰ সৈতে জীৱনৰ অন্ত হয়।

_____ আমি মৃত্যুক ভয় খোৱা উচিত।

_____ খাদ্য, বস্ত্ৰ, আৰাম আৰু আমোদ আত্মাৰ বাবে প্ৰয়োজনীয়।

_____ যেতিয়া শৰীৰে ইয়াৰ শক্তি খৰচ কৰে আত্মা ভাগৰুৱা হয়।

_____ আত্মা শৰীৰৰ বেমাৰ বা দুৰ্বলতাৰ দ্বাৰা প্ৰভাৱিত নহয়।

_____ মৃত্যুৰ পিছতো মানুহৰ ভৌতিক প্ৰয়োজনীয়তা থাকিব।

## খণ্ড-৫

আমি এয়া দেখিলো যে আত্মাই কোনো ভৌতিক ঠাই দখল নকৰে আৰু প্ৰকৃতিৰ নিয়মবোৰৰ দ্বাৰা পৰিচালিত নহয়, যিদৰে ভৌতিক বস্তুবোৰ পৰিচালিত হয়। আত্মাই শৰীৰৰ অভিকৰ্তাৰ দ্বাৰা পৃথিৱীত প্ৰভাৱ নিৰ্বাহিত কৰে, কিন্তু কেৱল এই মাধ্যমৰ দ্বাৰাই ই ইয়াৰ শক্তিৰ প্ৰয়োগ কৰে তেনে নহয়। বাহাউল্লাই ঘোষনা কৰে:

> **"সত্যত মই কও যে মানৱ আত্মা বহিৰ্গমন আৰু প্ৰত্যাৱৰ্তনৰ পৰা উৰ্ধত। ই স্থিৰ কিন্তু ই অৱৰোহন কৰে, ই গতিমান তথাপিও স্থিৰ।"[৮]**

আব্দুল বাহাই আমাক কয়:

> **"জানি লোৱা যে মানৱ চেতনাৰ প্ৰভাৱ আৰু পৰ্যবেক্ষণ দুই ধৰণৰ; অৰ্থাৎ মানৱ চেতনাই দুই ধৰণৰ বোধগম্যতা আৰু ক্ৰিয়াকলাপ কৰিব পাৰে। এক উপায় হৈছে শৰীৰৰ সজুলি বা অংগৰ সাধনাৰ দ্বাৰা। সেয়েহে ই চকুৰে দেখে, কাণেৰে শুনে, জিভাৰে কথা কব পাৰে...**
>
> **চেতনাৰ প্ৰভাৱ আৰু কাৰ্য্যৰ আন এক পদ্ধতি হৈছে এই শাৰীৰিক অংগৰ অবিহনে।"[৯]**

১.	নিম্নলিখিত বাক্যবোৰৰ খালি ঠাইবোৰৰ পূৰ কৰক।

ক. মানৱ আত্মা সকলো ____________________ আৰু _____________________ ৰ পৰা উৰ্ধত।

খ. ই _______________________ কিন্তু _________________________

গ. ই _______________________ কিন্তু _________________________

২. আত্মাই এই জগতত পৰ্যবেক্ষণ আৰু প্ৰভাৱ বিস্তাৰ কৰা দুটি মাধ্যম বৰ্ণনা কৰক।

___________________________________________________________________

___________________________________________________________________

___________________________________________________________________

___________________________________________________________________

৩. শৰীৰৰ সহায় অবিহনে আত্মাই প্ৰভাৱ বিস্তাৰ কৰাৰ উদাহাৰণ দিব পাৰিবনে ?

___________________________________________________________________

___________________________________________________________________

___________________________________________________________________

___________________________________________________________________

## খণ্ড-৬

এতিয়া, পূৰ্বৰ খণ্ডবোৰত হোৱা আলোচনাবোৰৰ প্ৰকাশত বাহাউল্লাৰ লিখনীৰ পৰা লোৱা নিম্নোক্ত অংশ পঢ়ক।

> **"তুমি এয়া জানি লোৱা যে মানৱ আত্মা, শৰীৰ আৰু মনৰ সকলো ৰোগৰ পৰা স্বাধীন। ৰোগগ্ৰস্ত ব্যক্তিয়ে দুৰ্বলতাৰ চিহ্ন প্ৰদৰ্শন কৰে কিয়নো ই আত্মা আৰু ইয়াৰ শৰীৰৰ মাজৰ মধ্যস্থতাত বাধাৰ উৎপন্ন কৰে, কিন্তু আত্মা নিজতেই শৰীৰৰ সকলো ৰোগৰ দ্বাৰা অপ্ৰভাৱিত হৈ ৰয়। চাকিৰ পোহৰলৈ লক্ষ্য কৰা, যদিও কোনো বাহ্যিক কাৰকে ইয়াৰ প্ৰকাশত বাধাৰ সৃষ্টি কৰিব পাৰে কিন্তু ই অনিৰ্বাপ্য শক্তিৰে প্ৰজ্বল্লিত হৈ থাকে। একেদৰে শৰীৰত হোৱা প্ৰত্যেক বাধাই আৰু ৰোগে আত্মাক ইয়াত অন্তৰ্নিহিত হৈ থকা শক্তি আৰু ক্ষমতাক প্ৰকাশ কৰাত বাধা প্ৰদান কৰে। কিন্তু শৰীৰৰ পৰা পৃথক হোৱাৰ পিছত ই ইমান তীব্ৰতাৰে উৰা মাৰিব আৰু এনে প্ৰভাৱ বিস্তাৰ কৰিব যে পৃথিৱীৰ কোনো শক্তিয়েই ইয়াৰ সমান হ'ব নোৱাৰে। প্ৰত্যেক পবিত্ৰ আৰু বিশুদ্ধ আত্মাক এনে মহান শক্তি প্ৰদান কৰা হ'ব যে ই অত্যন্ত উল্লাসেৰে আনন্দিত হ'ব।"[১০]**

১.	আত্মা কিদৰে শৰীৰ বা মনৰ ৰোগৰ দ্বাৰা প্ৰভাৱিত নহয় নিজৰ শব্দত বৰ্ণনা কৰক, আৰু শৰীৰৰ লগত ইয়াৰ বিচ্ছেদৰ পিছত কি প্ৰমাণিত হ'ব। ____________________________

___________________________________________________________________

___________________________________________________________________

___________________________________________________________________

___________________________________________________________________

২. শৰীৰৰ মৃত্যুৰ পিছত আমি আমাৰ ব্যক্তিত্ব অব্যাহত ৰাখিম নে ? ______________________

## খণ্ড-৭

বাহাউল্লাই আমাক কয়:

> **“এতিয়া তোমাৰ প্ৰশ্ন সাপেক্ষে মানুহৰ আত্মা আৰু পিছত তাৰ অৱস্থিতিৰ বিষয়টোৰ ওপৰত কম। তুমি এই সত্যৰ বিষয়ে অৱগত হোৱা যে শৰীৰৰ পৰা পৃথক হোৱাৰ পিছত, আত্মাই ঈশ্বৰৰ উপস্থিতি ঢুকি নোপোৱালৈকে অগ্ৰসৰ হৈ থাকিব, এইটো এনেকুৱা এটা অৱস্থা আৰু দশা যে তাক যুগ আৰু শতাব্দীৰ বিদ্ৰোহ নতুবা পৃথিৱীৰ বৈচিত্ৰপূৰ্ণ পৰিৱৰ্তন আৰু ঘটনা প্ৰকাশে কোনো প্ৰভাৱ পেলাব নোৱাৰে। ঈশ্বৰৰ ৰাজত্ব, তেওঁৰ সাৰ্বভৌমত্ব, তেওঁৰ আধিপত্য আৰু ক্ষমতা চলি থকালৈকে এইটোও চলিয়েই থাকিব। এইটোৱেই ঈশ্বৰৰ সংকেত আৰু গুণাৱলী ব্যক্ত কৰিব। তেওঁৰ প্ৰেমসিক্ত দয়া আৰু বদান্যতাও প্ৰকাশ পাব।”**[১১]

১. শৰীৰৰ পৰা বিচ্ছেদ হোৱাৰ পিছত আত্মা কিমান পৰলৈ অগ্ৰসৰ হৈ থাকিব ? ______________

২. আত্মাই ঈশ্বৰৰ পিনে ইয়াৰ অনন্ত যাত্ৰা কি স্থিতিত অব্যাহত ৰাখিব ? ______________

৩. সেই স্থিতিত প্ৰদৰ্শিত কৰা আত্মাৰ কিছুমান গুণ কি কি ? ______________

৪. আমি এতিয়ালৈকে কৰা অধ্যয়নৰ আধাৰত নিম্নোক্ত উক্তিবোৰ সচা হয় নে নহয় নিৰ্ধাৰিত কৰক।

____ ঈশ্বৰৰ সাম্ৰাজ্য সদায় বৰ্তি থাকিব।

____ আত্মাত সকলো ঈশ্বৰীয় গুণ প্ৰদৰ্শিত কৰিব পৰা ক্ষমতা আছে।

____ মৃতকৰ বাবে আমি কৰা প্ৰাৰ্থনাই সিঁহতৰ আত্মাৰ প্ৰগতিত প্ৰভাৱ নেপেলায়।

____ আত্মাৰ কেতিয়াও বিনাশ নহয়।

## খণ্ড-৮

বাহাউল্লাই কয়:

> **“তোমালোকে জানিবা যে প্ৰতিটো শ্ৰৱনেন্দ্ৰিয় যদি পবিত্ৰ আৰু নিৰ্মল কৰি ৰাখিব পাৰি তেন্তে সদায় প্ৰতিটো দিশত উদঘোষিত এই পবিত্ৰ শব্দবোৰ শুনিবলৈ পাবা—‘সচাঁকৈয়ে আমি ঈশ্বৰৰ**

**আৰু তেওঁৰ কাষলৈ উভতি যাম।' মানুহৰ পাৰ্থিৱ মৃত্যু আৰু তেওঁৰ প্ৰত্যাৱৰ্তনৰ ৰহস্য গোপন, আৰু এতিয়ালৈ অপ্ৰকাশিত ...**

**প্ৰত্যেক দৃঢ় বিশ্বাসীজনক মৃত্যুৱে স্বত:স্ফুৰ্তভাৱে এটি পিয়লা প্ৰদান কৰে আৰু সেইটোৱেই প্ৰকৃত জীৱন। ইয়েই আনন্দ প্ৰদান কৰে আৰু ইয়েই প্ৰসন্নতাৰ বাহক। ইয়েই অনন্ত জীৱনৰ উপহাৰ প্ৰদান কৰে।**

**যিজনে মানুহৰ পাৰ্থিৱ অস্তিত্বৰ ফল ভোগ কৰিছে, যি হৈছে একমাত্ৰ সত্য ঈশ্বৰক চিনি পোৱা- তেওঁৰ মহিমা মহিমামণ্ডিত হওক-, তেওঁৰ মৃত্যুৰ পিছৰ জীৱন এনেকুৱা হয় যাক আমি বৰ্ণনা কৰাত অসমৰ্থ। এই জ্ঞান কেৱল সৰ্বলোকৰ স্বামী ঈশ্বৰৰ ওচৰতহে আছে।"[১২]**

**"হে সৰ্বোচ্চৰ সন্তান! মই মৃত্যুক তোমাৰ বাবে আনন্দৰ বাহক ৰূপে গঢ়িছোঁ। তেন্তে কিয় তুমি শোকাকুল হৈছা? মই তোমাৰ ওপৰত প্ৰকাশিত হ'বৰ বাবে পোহৰ সৃষ্টি কৰিছোঁ। তুমি নিজকে কিয় তাৰ পৰা ঢাকি ৰাখিছা।"[১৩]**

১. তলৰ কোনবোৰ উক্তি সত্য?

_____ মানুহৰ আত্মা ঈশ্বৰৰ জগতৰ পৰা আহে আৰু তেওঁলৈ উভতি যাব।

_____ মৃত্যুৰ পিছত জীৱনৰ ৰহস্য ঈশ্বৰৰ সৈতে আছে।

_____ নিশ্চিত বিশ্বাসীৰ বাবে মৃত্যুই জীৱন।

_____ মৃত্যু আনন্দৰ বাহক।

_____ মৃত্যুৰ ৰহস্য সকলোৰেই বাবে জ্ঞাত।

_____ আমি জীৱনৰ কৃপাক আনন্দেৰে গ্ৰহণ কৰিব লাগে কিন্তু মৃত্যুক ভয় খাব নালাগে কিয়নো ই আনন্দৰ বাহক।

_____ মৃত্যুৰ পিছৰ জীৱনৰ বিষয়ে জনাটো আমাৰ বাবে মহত্বপূৰ্ণ নহয়।

২. ইতিমধ্যে অধ্যয়ন কৰা আটাইবোৰ মনত ৰাখি জীৱন, মৃত্যু, শৰীৰ আৰু আত্মাৰ বিষয়ে এক চুটি অনুচ্ছেদ লিখক।

## খণ্ড-৯

আব্দুল বাহাই বৰ্ণনা কৰে:

> **"মানৱ জীৱনৰ আৰম্ভণিতে মানুহ গৰ্ভাশয়ত ভ্ৰূণৰ অৱস্থাত আছিল, এই জগতত বিকাশৰ বাবে ক্ষমতা আৰু যোগ্যতা তেওঁ তাতেই বিকশিত কৰে। এই পৃথিৱীৰ বাবে প্ৰয়োজনীয় শক্তিবোৰ সেই জগততেই লাভ কৰে। এই পৃথিৱীত তাক চকুৰ প্ৰয়োজন; সেইবোৰ তেওঁ গৰ্ভৰ জগতত লাভ কৰে। এই জগতত তেওঁৰ বাবে কাণ দুখনৰ প্ৰয়োজন, সেয়া তেওঁ তাতেই লাভ কৰে। এই জগতত প্ৰয়োজনীয় সকলোবোৰ শক্তি তেওঁ গৰ্ভৰ জগতত লাভ কৰে। সেই জগতত তেওঁ এই জগতৰ বাবে প্ৰস্তুত হৈছিল, আৰু যেতিয়া তেওঁ এই জগতত প্ৰবেশ কৰিছিল, দেখিছিল যে জীৱনৰ বাবে প্ৰয়োজনীয় সকলোখিনি আৰু অংগ-প্ৰত্যঙ্গ ইতিমধ্যেই ধাৰণ কৰে। ইয়াৰ পিছত তেওঁ এই জগততো, পিছৰ জগতৰ বাবে প্ৰস্তুতি চলাব লাগে। সাম্ৰাজ্যৰ জগতত তেওঁৰ বাবে যি প্ৰয়োজন তাৰ বাবে তেওঁ ইয়াতেই প্ৰস্তুতি কৰিব লাগিব। গৰ্ভৰ জগতত প্ৰয়োজনীয় শক্তিবোৰ লাভ কৰাৰ দৰে এই সাম্ৰাজ্যৰ জগতৰ প্ৰয়োজনীয়তাবোৰ- সকলো দিব্য শক্তি- তেওঁ এই জগততেই আয়ত্ব কৰিব লাগিব।"[১৪]**

১। সঁচা নে মিছা নিৰ্ণয় কৰা-

_____ মাতৃ গৰ্ভতেই পৃথিৱীৰ বাবে প্ৰয়োজনীয় সকলো শক্তি আমি লাভ কৰিছো।

_____ পৰজীৱনৰ বাবে আমি নিজকে প্ৰস্তুত কৰা কোনো প্ৰয়োজন নাই।

_____ সাম্ৰাজ্যৰ জগতৰ বাবে দৰকাৰিখিনি আমি তাতেই লাভ কৰিব লাগিব।

_____ পৰজীৱনৰ বাবে প্ৰয়োজনীয় শক্তিবোৰ লাভ কৰাটোৱেই এই জীৱনৰ উদ্দেশ্য।

_____ যেতিয়া এজন মানুহ মৃত্যু হৈ স্বৰ্গগামী হয় তেতিয়াহে প্ৰকৃততে সত্য জীৱন আৰম্ভ হয়।

_____ প্ৰকৃততে সত্য জীৱন এই পৃথিৱীতেই আৰম্ভ হৈ শাৰীৰিক মৃত্যুৰ পিছতো অব্যাহত থাকে।

২। এই জীৱনৰ বাবে প্ৰয়োজনীয় কোনবোৰ ক্ষমতা মানুহে মাতৃ গৰ্ভত লাভ কৰে ? ___________

_______________________________________________

_______________________________________________

৩। কিছুমান বদান্যতাৰ নাম লিখক যি আমি মৃত্যুৰ পিছৰ জীৱনৰ বাবে আহৰণ কৰিব লাগে ? ____

_______________________________________________

_______________________________________________

## খণ্ড-১০

বাহাউল্লাই কয়:

> **"মানুহৰ কাৰণে ঈশ্বৰে ঢালি দিয়া কৃপা ধাৰাৰ অংশ গ্ৰহণ কৰাটোৱেই আজিৰ দিনত মানুহৰ সাৰ্বিক কৰ্ত্তব্য। সেইহেতুকে, কোনেও যেন পাত্ৰৰ বিশালতা বা ক্ষুদ্ৰতাৰ কথা বিবেচনা নকৰে।**

**কিছুমানৰ বাবে তাৰ অংশ হাতৰ তলুৱাত আঁটে, এনেকুৱাও হ'ব পাৰে যে আন কিছুমানৰ অংশই পিয়লা এটা পুৰাব পাৰে, আন কিছুমানৰ অংশ আনকি গেলান এটাৰ লেখীয়াও হ'ব পাৰে।"**[১৫]

১। উপৰোক্ত লিখনীৰ প্ৰকাশত তলৰ প্ৰশ্ন বোৰৰ উত্তৰ প্ৰদান কৰক-

ক. এই দিনত প্ৰত্যেক ব্যক্তিৰে সাৰ্বিক কৰ্তব্য কি ? ____________________

____________________

খ. ঈশ্বৰৰ পৰা লাভ কৰা কিছুমান আশীৰ্বাদ কি কি ? ____________________

____________________

গ. উপৰোক্ত লিখনীত পাত্ৰ শব্দটোৰে কি বুজাইছে ? ____________________

____________________

ঘ. আমাক প্ৰদান কৰা ক্ষমতৰ 'বিশালতা বা ক্ষুদ্ৰতাৰ' বিষয়ে আমি কিয় ভাবিব নালাগে ?______

____________________

ঙ. এনে কিছুমান বস্তু কি যি আমাক ঈশ্বৰৰ দয়া লাভৰ পৰা বঞ্চিত কৰিব পাৰে ?__________

____________________

____________________

____________________

**২। তলৰ কোনবোৰ সচা** ?

_____ পাত্ৰৰ বিশালতা আৰু ক্ষুদ্ৰতাই এয়া বুজায় যে আমি কিমান চোকা।

_____ ঈশ্বৰক সেৱা কৰিবলৈ হ'লে আমি আমাৰ দুৰ্বলতাবোৰ পাহৰি তেওঁক বিশ্বাস কৰিব লাগিব।

_____ এই পৃথিৱীত ঈশ্বৰে দিয়া ক্ষমতা খিনি যদি আমি বিকাশ সাধন নকৰো, তেন্তে পৰৱৰ্তি সংসাৰত উপস্থিত হোৱাৰ পৰত আমাৰ আত্মা দুৰ্বল হ'ব।

## খণ্ড-১১

বাহাউল্লাই কয়:

**"আত্মাৰ স্বৰূপৰ বিষয়ে তুমি মোক সুধিছা। নিশ্চয়কৈ, জানি লোৱা যে আত্মা হৈছে ঈশ্বৰৰ এক চিহ্ন, এক দিব্য মুকুটাৰ যাৰ সত্যতা মানৱ সমাজৰ আটাইতকৈ শিক্ষিত মানুহো বুজি পোৱাত অপৰাগ, আৰু যিমানেই তীক্ষ্ণ নহওঁক কিয় তাৰ ৰহস্যৰ মেৰপাক বুজিবলৈ কেতিয়াও আশা কৰিব নোৱাৰে। সৃষ্ট বস্তুবোৰৰ ভিতৰত ইয়েই প্ৰথমতে সৃষ্টিকৰ্তাৰ চৰম উৎকৰ্ষ ঘোষণা কৰিছে, তেওঁৰ মহিমাক চিনি পোৱা, তেওঁৰ সত্যক দৰ্শন কৰা আৰু অভিবন্দনাত মূৰ দোওৱা বোৰৰ ভিতৰত ইয়েই প্ৰথম।**

১. নিম্নলিখিত বাক্যৰ খালীঠাইবোৰ পূৰণ কৰক

ক. আত্মা হৈছে ঈশ্বৰৰ এক ______________________________ ।

খ. ______________________________ এক দিব্য মুকুটা, যাৰ সত্যতা আটাইতকৈ শিক্ষিত মানুহেও ______________________________ অপাৰগ।

ঘ. সৃষ্ট বস্তুবোৰৰ ভিতৰত ________________________________________ কৰিছে।

ঙ. ঈশ্বৰৰ মহিমাক ______________________________ কৰা আত্মাই প্ৰথম।

চ. ঈশ্বৰৰ সত্যক ______________________________ কৰা আত্মাই প্ৰথম।

ছ. ঈশ্বৰৰ সন্মুখত অভিবন্দনাত ______________________________ আত্মাই প্ৰথম।

২. তলৰ কোনবোৰ সচা?

_____ ‘মেৰ পাক খোলা’ বাক্যখণ্ডই বিচাৰি উলিওৱা বুজায়।

_____ সকলো সৃষ্ট পদাৰ্থৰ ভিতৰত মানৱ মগজু হ’ল প্ৰথম যিয়ে ঈশ্বৰক চিনি পাইছে।

_____ তীক্ষ্ণৰ অৰ্থ চোকা।

_____ জ্ঞানী ব্যক্তিয়ে আত্মাৰ ৰহস্য বুজি পায়।

_____ কেৱল মহান দাৰ্শনিক সকলে ঈশ্বৰৰ উৎকৰ্ষক ঘোষনা কৰিব পাৰে।

_____ আত্মাৰ বিষয়ে গভীৰভাৱে চিন্তা কৰাৰ প্ৰয়োজন নাই, কাৰণ আমি কেতিয়াও সেইটো বুজিবলৈ সমৰ্থ নহওঁ।

## খণ্ড-১২

বাহাউল্লাই কৈছে:

> **“তোমোলোকো সেই চৰাইটোৰ দৰেই, যিটোৱে দুৰ্জ্জয় ডেউকাৰ সম্পূৰ্ণ শক্তিৰে আৰু অখণ্ড উৎসাহপূৰ্ণ দৃঢ়তাৰে, নৈসৰ্গিক গ্ৰহ-নক্ষত্ৰ বিশালতাত পৰিভ্ৰমণ কৰে, কিন্তু নিজৰ ভোক নিবৃত্তি কৰিবলৈ, ইচ্ছা অনুসৰিয়েই তলৰ পৃথিৱীখনত থকা পানী আৰু বোকালৈ চাই গতি কৰে, আৰু কামনাৰ জালত বন্দি হৈ সি যি ঠাইৰ পৰা আহিছিল তালৈ আকৌ উৰি যাবলৈ অসমৰ্থ হয়। যি পক্ষীয়ে এতিয়ালৈকে স্বৰ্গীয় আনন্দত বিচৰণ কৰি আছিল এতিয়া সি তাৰ লেতেৰা ডেউকাৰ ওপৰৰ ভাৰাক্ৰান্ত বোজা জোকাৰি পেলাবলৈ অসমৰ্থ হয় আৰু তাৰ বাসস্থান ধূলিত বিচাৰি ল’বলৈ বাধ্য হয়। সেইবাবে, হে মোৰ সেৱকবৃন্দ ! নিজৰ পাখীযোৰ পথভ্ৰষ্টতা আৰু ব্যৰ্থ কল্পনাৰ বোকাৰে কলুষিত নকৰিবা আৰু সেইবোৰত ঈৰ্ষা আৰু ঘৃণাৰ ধূলিৰ দাগ পৰিবলৈ নিদিবা যাতে তুমি মোৰ দিব্য জ্ঞানৰ স্বৰ্গত আৰোহণ কৰোতে বাধাপ্ৰাপ্ত নোহোৱা।”**[১৭]

১। শূণ্য ঠাই পূৰণ কৰা-

ক) উদ্ধৃতিত বাহাউল্লাই উল্লেখ কৰা চৰাই হৈছে মানুহৰ ______________________।

খ) সেই চৰাইটো ____________________ বাসিন্দা।

গ) যদি তাৰ পাখি লেতেৰা হয়, চৰাইটো ____________________ বাঁহ ল’বলৈ বাধ্য হয়।

২।	এতিয়া তলৰ প্ৰশ্নবোৰৰ উত্তৰ প্ৰদান কৰক:

ক.	আত্মাৰ পাখিবোৰ কেনেকৈ কলুষিত হয় ?___________________________

_______________________________________________

খ.	চৰাইৰ পাখিক কলুষিত কৰা ‘পৃথিৱীত পানী আৰু বোকাৰ’ দৰে কিছুমান বোজা কি কি যি আত্মাৰ পাখিক ভাৰাক্ৰান্ত কৰে ? ___________________________

_______________________________________________

গ.	দিব্য জ্ঞানৰ স্বৰ্গত পৰিভ্ৰমন কৰাত আমাক কিহে বাধাৰ সৃষ্টি কৰে ? ________

_______________________________________________

_______________________________________________

ঙ.	কিয় আত্মাই স্বৰ্গীয় নিবাসৰ বিপৰীতে এই পৃথিৱীৰ ধূলিক বাছি ল’ব লগা হয় ?____

_______________________________________________

_______________________________________________

৩.	শুদ্ধ হয় নে নিৰ্ধাৰিত কৰক:

____ সাংসাৰিক আসক্তিয়ে আমাৰ আধ্যাত্মিক প্ৰগতিত বাধা প্ৰদান কৰে।

____ আমাৰ পথভ্ৰষ্টতা আৰু ব্যৰ্থ কামনাবোৰে আমাক দিব্য জ্ঞানৰ স্বৰ্গত বিচৰণৰ পৰা আঁতৰত ৰাখে।

____ ঈৰ্ষা আৰু ঘৃণা মানুহৰ স্বাভাৱিক গুণ আৰু ই আত্মাত বোজ সৃষ্টি নকৰে।

____ এই সাংসাৰিক বস্তুবোৰৰ পৰা নিৰাসক্ত হৈ স্বৰ্গৰ বিশালতাত বিচৰণ কৰাত বাধা প্ৰদান কৰা বোজাবোৰৰ পৰা আমি নিজেই মুক্ত হ’ব পাৰোঁ।

____ আত্মাৰ ঘৰ এই পৃথিৱীত।

## খণ্ড-১৩

বাহাউল্লাই কয়

> **“পৃথিৱীখন আৰু তাত থকা জীৱন্ত আৰু গতিশীল সকলোবোৰেক সৃষ্টি কৰি, তেওঁ, তেওঁৰ বন্ধনহীন আৰু সৰ্ব্বব্যাপী ইচ্ছাশক্তিৰ পৰিচালনাৰে, মানুহৰ ওপৰত ঈশ্বৰক জানিবলৈ আৰু ভাল পাবলৈ বিশেষত্ব আৰু ক্ষমতা অৰ্পণ কৰিবলৈ বাচনি কৰিছিল—এক শক্তি যাক সৃষ্টিকাৰি স্পন্দন আৰু গোটেই সৃষ্টিৰ অন্তৰালৰ প্ৰাথমিক উদ্দেশ্যৰ ৰূপত জ্ঞান কৰা উচিত.... প্ৰত্যক সৃজিত বস্তুৰ নিভৃত্বতম সত্বা তেওঁ তেওঁৰ নামৰ যিকোনো এটি জ্যোতি প্ৰতিফলিত কৰিছে আৰু তেওঁৰ মহিমাময় গুণাৱলীৰ যি কোনো এটাৰ ধাৰক হিচাপে তৈয়াৰ কৰিছে। অৱশ্যে, মানুহৰ প্ৰকৃত সত্বাত, তেওঁ সকলোবোৰ নাম আৰু গুণৰ স্নিগ্ধ জ্যোতি কেন্দ্ৰীভূত কৰিছে আৰু তাক তেওঁৰ নিজৰ আত্মাৰ দাপোন হিচাপে প্ৰস্তুত কৰিছে। সৃষ্টিৰ আটাইবোৰ বস্তুৰ ভিতৰত মানুহকেই অকল সেই মহৎ অনুগ্ৰহৰ বাবে পৃথকভাৱে নিৰ্ধাৰিত কৰা হৈছে।”[১৮]**

১। খালী ঠাই পুৰ কৰক:

ক. ___________________ পাবলৈ মানুহ বিশেষত্ব আৰু ক্ষমতা অৰ্পণ কৰিবলৈ বাচনি কৰিছিল।

খ. __________________ নিভৃত্বতম সত্বাত ______________________ প্ৰতিফলিত কৰিছে আৰু তেওঁৰ __________________ যি কোনো এটাৰ ___________ হিচাপে তৈয়াৰ কৰিছে।

গ. অৱশ্যে মানুহৰ প্ৰকৃত সত্বাত তেওঁৰ ______________ আৰু _____________ জ্যোতি কেন্দ্ৰীভূত কৰিছে আৰু তাক _________________________ দাপোন হিচাপে প্ৰস্তুত কৰিছে।

২. এতিয়া তলৰ প্ৰশ্নবোৰৰ উত্তৰ প্ৰদান কৰক:

ক) ঈশ্বৰৰ কিছুমান গুণাৱলী উল্লেখ কৰিব পাৰিবনে ? ____________________________

________________________________________________________________

________________________________________________________________

খ) মানুহৰ আত্মাৰ ওপৰত প্ৰতিফলিত ঈশ্বৰৰ কিছুমান গুণ কি কি ? __________________

________________________________________________________________

________________________________________________________________

গ) সেই গুণবোৰ কিদৰে প্ৰকাশ পায় ? ______________________________________

________________________________________________________________

________________________________________________________________

ঘ) কি বিশেষ অনুগ্ৰহৰ বাবে মানুহক পৃথক বুলি গণ্য কৰা হৈছে ?___________________

________________________________________________________________

________________________________________________________________

৩. তলৰ কোনবোৰ উক্তি সচা?

_____ মানুহ আন আন সৃষ্টিৰ পৰা ভিন্ন নহয়।

_____ ঈশ্বৰক জানিব আৰু তেওঁক প্ৰেম কৰিব পৰা ক্ষমতা হৈছে সৃজনাত্মক স্পন্দন আৰু সমগ্ৰ সৃষ্টিৰ সৃজনৰ আঁৰৰ প্ৰাথমিক উদ্দেশ্য।

_____ সৃষ্টিৰ সমস্ত বস্তুৱেই ঈশ্বৰৰ এটি গুণৰ লাভকৰ্তা।

_____ মানৱ আত্মাই ঈশ্বৰৰ সকলো গুণ প্ৰতিফলিত কৰিব পাৰে।

## খণ্ড- ১৪

বাহাউল্লাই কয়:

**“মমবাতি এটাত অগ্নিশিখা লুকাই থকাৰ দৰে আৰু বন্তি এগছিত প্ৰচ্ছন্ন পোহৰৰ সম্ভাৱনা সুপ্ত হৈ থকাৰ দৰেই দিব্য দয়াৰ দিবা-নক্ষত্ৰ আৰু স্বৰ্গীয় নিৰ্দেশনাৰ উৎস সমূহে প্ৰদান কৰা এই**

**শক্তিবোৰৰ মানুহতেই সুপ্ত হৈ আছে। যিদৰে ধূলি-মাকতিয়ে দাপোনখন অস্পষ্ট কৰি ৰাখি সূৰ্য্যৰ পোহৰ লুকাই ৰাখে সেইদৰে এই শক্তিবোৰৰ প্ৰসাৰতাক ভৌতিক লিপ্সাই লুপ্ত কৰি পেলাব পাৰে। মমবাতি নাইবা বন্তিগছি কেতিয়াও আনৰ সহায় নোলোৱাকৈ নিজ প্ৰচেষ্টাৰে প্ৰজ্জ্বলিত হ'ব নোৱাৰে, নতুবা দাপোনখনো আপোনা আপুনি ধূলি-মাকতিবোৰৰ পৰা মুক্ত হৈ পৰিস্কাৰ হ'ব নোৱাৰে। এইটো সুনিশ্চিত আৰু সুস্পষ্ট যে জুই নজ্বলোৱাকৈ চাকি প্ৰজ্জ্বলিত হ'ব নোৱাৰে আৰু দাপোনৰ পৰা মলিবোৰ আঁতৰ নকৰালৈকে ই কেতিয়াও সূৰ্য্যৰ প্ৰতিবিম্ব প্ৰদৰ্শিত কৰিব নোৱাৰে, নাইবা পোহৰ আৰু মহিমাক প্ৰতিফলিত কৰিব নোৱাৰে।"[১৮]**

১. সুপ্ত শব্দটোৱে কি বুজাইছ ? ______________________

______________________

২. মানুহৰ আত্মাত কি কি ক্ষমতা সুপ্ত হৈ আছে। ______________________

______________________

______________________

৩. বন্তি এগছি কি কৰ্মশক্তি আছে ? ______________________

৪. দাপোনৰ কি কৰ্মশক্তি আছে ? ______________________

৫. চাকিৰ পৰা পোহৰ পাবলৈ হ'লে আমি কি কৰিব লাগিব ? ______________________

______________________

৬. দাপোনৰ পৰা প্ৰতিফলন পাবলৈ হ'লে আমি কি কৰিব লগিব ?______________________

______________________

৭. চাকি আৰু দাপোনে নিজৰ কৰ্মক্ষমতা নিজে প্ৰকাশ কৰিব পাৰেনে ?______________________

৮. এই দুটা উদাহৰণক আমি কেনেকৈ মানুহৰ আত্মাৰ লগত ৰিজাব পাৰোঁ ? ______________________

______________________

______________________

______________________

৯. কোনে মানৱ আত্মাত সুপ্ত ক্ষমতাক প্ৰকাশিত কৰিব পাৰে ? ______________________

______________________

## খণ্ড- ১৫

বাহাউল্লাই কয়:

**"সৰ্ব্বপ্ৰাচীন জনৰ জ্ঞানৰ দুৱাৰ মানুহৰ বাবে সদায় বন্ধ হৈ আছে আৰু চিৰদিনলৈ থাকিব। কোনো মানুহৰ জ্ঞানে তেওঁৰ পবিত্ৰ দৰবাৰৰ দুৱাৰ ঢুকি নাপায়। অৱশ্যে, তেওঁৰ কৃপাৰ চিহ্ন আৰু তেওঁৰ মৰমসনা দয়াৰ প্ৰমাণ স্বৰূপে তেওঁ নিজেই তেওঁৰ স্বৰ্গীয় নিদেৰ্শনাৰ দিবা-নক্ষত্ৰবোৰ প্ৰকাশ কৰিছে, স্বৰ্গীয় ঐক্যতাৰ প্ৰতীক এই পবিত্ৰ আত্মাবোৰৰ জ্ঞান তেওঁৰ নিজৰ জ্ঞানৰ লগত একেই বুলি কৈছে। সেইবোৰক চিনি পোৱাসকলে ঈশ্বৰকো চিনি পাইছে। তেওঁলোকৰ আহ্বান**

**শুনোতাসকলে, ঈশ্বৰৰ কণ্ঠস্বৰো শুনিছে, আৰু যি তেওঁৰ প্ৰকটিকৰণৰ সাক্ষ্য প্ৰদান কৰিছে তেওঁলোকে স্বয়ং ঈশ্বৰৰ সাক্ষ্য প্ৰদান কৰিছে। যি সকলে তেওঁলোকৰ পৰা আঁতৰি আছে, সেইসকলে ঈশ্বৰৰ পৰাও দূৰলৈ আছে আৰু যিসকলে তেওঁলোকক অবিশ্বাস কৰে তেওঁ ঈশ্বৰৰ ওপৰত অবিশ্বাস জতায়। তেওঁলোকৰ প্ৰত্যেকেই ওপৰৰ ৰাজ্যবোৰৰ লগত পৃথিৱীক সংযোগ কৰা ঈশ্বৰৰ পথ, আৰু স্বৰ্গ আৰু মৰ্ত্যৰ ৰাজ্যবোৰৰ প্ৰত্যেকলৈকে এইটোৱেই হৈছে তেওঁৰ সত্যৰ মানদণ্ড। মানৱ সমাজত তেওঁলোকেই হৈছে ঈশ্বৰৰ মূৰ্ত্ত প্ৰকাশ, আৰু তেওঁৰ সত্যতাৰ প্ৰমাণ আৰু তেওঁৰ মহিমাৰ চিন।”[২০]**

১। উপৰোক্ত উদ্ধৃতিক মনত ৰাখি তলৰ প্ৰশ্নবোৰৰ উত্তৰ প্ৰদান কৰক:

ক) আমাৰ পক্ষে ঈশ্বৰক প্ৰত্যক্ষ্য ভাৱে জানিব পৰাটো সম্ভৱ হয়নে ? ______________

খ) তেন্তে, আমি কেনেকৈ ঈশ্বৰক জানিব পাৰোঁ? ______________________________

গ) স্বৰ্গীয় নিৰ্দেশনাৰ কিছুমান দিবা নক্ষত্ৰৰ নাম লিখিব পাৰিব নে ? ______________

______________________________________________________________

ঘ) ঈশ্বৰৰ প্ৰকটাৱতাৰৰ আহ্বান শুনাসকলে কাৰ কথা শুনিবলৈ পাইছে ? __________

______________________________________________________________

ঙ) ঈশ্বৰৰ প্ৰকটাৱতাৰসকলৰ কথাত আমি কাণ নিদিলে কাৰ পৰা আতৰি থাকিবলগীয়া হওঁ? ________________________________________________

২। তলৰ খণ্ড বাক্যবোৰ পূৰণ কৰক।

ক) ঈশ্বৰৰ জ্ঞানৰ দুৱাৰ মানুহৰ বাবে ____________________ আছে আৰু সদায় থাকিব ।

খ) কোনো মানুহৰ জ্ঞানে কেতিয়াও তেওঁৰ ________________________ ঢুকি নাপায়।

গ) ঈশ্বৰে তেওঁৰ ______________________ নিদৰ্শন স্বৰূপ প্ৰকটাৱতাৰ পঠায়।

ঘ) ঈশ্বৰৰ প্ৰকটাৱতাৱতাৰসকলৰ জ্ঞান ______________________ জ্ঞানৰ সৈতে একে।

ঙ) যিসকলে তেওঁলোকক চিনি পাইছে ______________________ চিনি পাইছে।

চ) যিসকলে তেওঁলোকৰ আহ্বান শুনিছে ______________________ আহ্বান শুনিছে।

ছ) সেই প্ৰকটাৱতাৰসকল হৈছে ঈশ্বৰৰ পথ যিয়ে ______________________________

______________________________________________________________

৩. তলৰ কোনবোৰ সঁচা?

_____ আমি কেৱল আমাৰ প্ৰচেষ্টাৰে আধ্যাত্মিক ভাৱে প্ৰগতি কৰিব পাৰোঁ।

_____ ঈশ্বৰে আমাক মগজু প্ৰদান কৰিছে, আৰু আমাৰ প্ৰগতিৰ বাবে এয়া যথেষ্ট।

_____ আমি ঈশ্বৰৰ প্ৰকটাৱতাৰক চিনিপোৱাৰ দ্বাৰা আধ্যাত্মিক প্ৰগতি কৰিম, ইয়াৰ বাবে কোনো প্ৰচষ্টাৰ প্ৰয়োজন নাই।

_____ আমি ঈশ্বৰৰ প্ৰকটাৱতাৰক চিনি পোৱা আৰু তেওঁৰ বিধান পালন কৰাৰ বাবে কৰা যথাসম্ভৱ প্ৰচেষ্টাৰ দ্বাৰা আধ্যাত্মিক প্ৰগতি লাভ কৰিব পাৰোঁ।

_____ আমি পোনপটিয়াকৈ ঈশ্বৰক জানিব পাৰোঁ।

_____ মানুহ ঈশ্বৰৰ দৰেই হ’ব পাৰে।

_____ মানৱ বোধগম্যতাৰ উৰ্ধত ঈশ্বৰ মহান।

_____ যেতিয়া আমি ঈশ্বৰৰ প্ৰকটাৰতাৰৰ শব্দবোৰ শুনো, আমি ঈশ্বৰৰ বাণী শুনো।

## খণ্ড- ১৬

বাহাউল্লাই ঘোষিত কৰে:

> **“ঈশ্বৰৰ দূত আৰু বাৰ্তাবাহক সকলক পৃথিৱীলৈ পঠোৱাৰ আঁৰত থকা একমাত্ৰ উদ্দেশ্য হৈছে মানৱ জাতিক সত্যৰ পোন পথলৈ মাৰ্গদৰ্শিত কৰা। তেওঁলোকৰ প্ৰকটিকৰণৰ উদ্দেশ্য হৈছে সকলো মানুহক শিক্ষিত কৰা। যাতে তেওঁলোকৰ মৃত্যুৰ সময়ত অত্যন্ত পবিত্ৰতা আৰু বিশুদ্ধতাৰে সম্পূৰ্ণ অনাশক্তিৰে, সৰ্বোচ্চ সিংহাসনলৈ গতি কৰিব পাৰে”**[২১]

আৰু আন এক লিখনীত, তেওঁ কয়:

> **“মানুহেই সৰ্বোচ্ছ তাবিজ। অৱশ্যে প্ৰকৃত শিক্ষাৰ অভাৱত, মানুহে নিজকে সেই গুণবোৰৰ পৰা বঞ্চিত কৰিছে যি তাত অন্তৰ্নিহিত। ঈশ্বৰৰ মুখ-নিসৃত এটি শব্দৰ মাধ্যমেৰে তেওঁক অস্তিত্বলৈ মাতি অনা হৈছে; আৰু আন এটি শব্দৰ দ্বাৰা তাক তাৰ শিক্ষাৰ উৎসক চিনি পাবলৈ সক্ষম কৰা হৈছে। আৰু এটি শব্দৰ দ্বাৰা তেওঁৰ স্থান আৰু ভাগ্য সুনিশ্চিত কৰা হৈছে। মহান অৱতাৰে কৈছে- মানুহক অমূল্য ৰত্নৰ ভঁৰাল বুলি ভাবিবাহঁক। কেৱল শিক্ষাই এই ভড়াঁলক উন্মুক্ত কৰিব পাৰে আৰু মানৱ জাতিক উপকৃত হোৱাৰ বাবে সমৰ্থ কৰি তুলিব পাৰে। যদি কোনোবা এজনে ঈশ্বৰৰ পবিত্ৰ ইচ্ছাৰ সৰগৰ পৰা নিগৰি ওলোৱা ধৰ্মীয় শাস্ত্ৰবোৰত একান্তমনে ধ্যান কৰে তেন্তে তেওঁ বুজিব পাৰিব যে, এই সকলোৰে উদ্দেশ্য হৈছে সকলো মানুহক এক আত্মা হিচাপে গ্ৰহণ কৰিব লাগে যাতে ‘ সাম্ৰাজ্য ঈশ্বৰৰ’ এই নামৰ মোহৰ সকলোৰে অন্তৰত প্ৰতিস্থাপিত হয়, আৰু দিব্য কৃপা, দয়া, আৰু ক্ষমাৰ প্ৰকাশে সমগ্ৰ মানৱ জাতিক আচ্ছাদিত কৰিব পাৰে।”**[২২]

১. কি উদ্দেশ্যৰে ঈশ্বৰৰ দূত আৰু বাৰ্তাবাহক সকলক পৃথিৱীলৈ পঠিওৱা হয় ?______________

______________________________________________

______________________________________________

২. তেওঁলোকৰ প্ৰকটিকৰণৰ আঁৰৰ উদ্দেশ্য কি ? ______________________________

______________________________________________

______________________________________________

______________________________________________

৩. তাবিজ শব্দটোৰে কি বুজাইছে ?______________________________________

______________________________________________

৪. উচিত শিক্ষাৰ অভাৱে মানুহৰ ওপৰত কি প্ৰভাৱ পেলায় ? ____________________

______________________________________________

৫. প্ৰকৃত শিক্ষাই কি কৰিব পাৰে ?_____________________________________

______________________________________________

৬. আমাৰ শিক্ষাৰ উৎস কি ? ____________________

৭. মানুহৰ লক্ষ্যস্থান কি ? ____________________

____________________

৮. শিক্ষাই উন্মুক্ত কৰা কিছুমান মুকুটা কি কি ? ____________________

____________________

৯. যেতিয়া আমি ঈশ্বৰীয় শিক্ষাৰ ওপৰত চিন্তন কৰোঁ আমি কি উপলব্ধি কৰোঁ ? ____________________

____________________

____________________

____________________

## খণ্ড- ১৭

বাহাউল্লাই কয়:

**"শৰীৰৰ পৰা আত্মাৰ বিয়োগ ঘটাৰ অন্তত তাৰ কেনেকুৱা অৱস্থা ঘটে সেই বিষয়ে তুমি মোক সুধিছা। সত্যৰ বিষয়ে, তুমি জানি লোৱা, যে মানুহৰ আত্মাই যদি ঈশ্বৰৰ পথেৰে বিচৰণ কৰে, ই নিশ্চিয়কৈ পৰম প্ৰেমাস্পদৰ কাষ চাপিব আৰু ঈশ্বৰৰ মহিমাত একত্ৰিত হ'ব। ঈশ্বৰৰ ন্যায়ৰ শপত! ই এনেকুৱা এটা স্থান পাব যিটো কোনো লিখনিয়ে চিত্ৰিত কৰিব নোৱাৰে, কোনো জিভাই বৰ্ণনা কৰিব নোৱাৰে। যি আত্মা প্ৰভুৰ ধৰ্মৰ প্ৰতি বিশ্বস্ত আৰু ঈশ্বৰৰ পথত দৃঢ় হৈ থাকে, মৃত্যুৰ পিছত এনেকুৱা এটা শক্তিত অধিষ্ঠিত হয় যে সৰ্বশক্তিমানৰ দ্বাৰা সৃষ্ট গোটেই বিশ্ব তাৰ দ্বাৰা উপকৃত হ'ব পাৰে।"[২৩]**

১। তলৰ বাক্যাংশবোৰ পূৰ্ণ কৰক।

ক) যদি মানুহ আত্মা ঈশ্বৰৰ পথত খোজ কাঢ়ে, ই নিশ্চিয়কৈ ____________________

____________________

খ) ই এনেকুৱা এটি স্থান পাব ____________________

____________________।

গ) যি আত্মা প্ৰভুধৰ্মৰ ____________ আৰু ঈশ্বৰৰ ____________ ______ থাকে, মৃত্যুৰ পিছত এনেকুৱা এটা ____________ হয় যে ____________ দ্বাৰা সৃষ্ট গোটেই বিশ্ব ____________ হ'ব পাৰে।"

## খণ্ড- ১৮

বাহাউল্লাই আমাক কয়:

**"আশীৰ্বাদিত সেই আত্মা, যিয়ে শৰীৰৰ পৰা বিচ্ছেদ হোৱাৰ ক্ষণত পৃথিৱীৰ লোকৰ সকলো মিছা কল্পনাৰ পৰা দূৰত থাকি পবিত্ৰ হৈ থাকে। তেনেকুৱা আত্মা ইয়াৰ সৃষ্টিকৰ্তাৰ ইচ্ছা অনুসৰিয়েই**

**জীয়াই থাকে আৰু বিচৰণ কৰে আৰু সকলোতকৈ উচ্চ স্বৰ্গত প্ৰৱেশ কৰে। স্বৰ্গৰ পৰি, সু-উচ্চ অট্টালিকাৰ অধিবাসীবোৰ, তেওঁৰ চাৰিওকাষে বৃত্তাকাৰত আহি থিয় দিবহি, আৰু ঈশ্বৰৰ দূত আৰু তেওঁৰ নিৰ্বাচিত সকলেও সেই আত্মাৰ সঙ্গ বিচাৰিব। সেই আত্মাই সেইসকলৰ লগত মুক্তভাৱে বাৰ্তালাপ কৰিব আৰু সমগ্ৰ বিশ্বৰ অধীশ্বৰ, ঈশ্বৰৰ কাষলৈ অহাৰ বাটত ভোগ কৰা কথাবোৰ সেইসলক আকৌ বিবৰি ক'ব।"[২৪]**

**"তেওঁ পাপীক ক্ষমা কৰা উচিত, আৰু কেতিয়াও তেওঁৰ অৱনত অৱস্থাৰ বাবে ঘৃণা কৰা উচিত নহয়, কিয়নো শেষ অৱস্থাৰ কথা কোনেও নাজানে। কিমানবাৰ কোনো পাপীয়ে মৃত্যুৰ সময়ত ধৰ্মৰ সাৰ লাভ কৰিছে আৰু অমৰ সুধা পান কৰি স্বৰ্গীয় উচ্চতাৰ ফালে যাত্ৰা কৰিছে! আৰু কিমানবাৰ এনেকুৱা হৈছে যে কোনো এক পৰম ভক্তই তাৰ আত্মাৰ আৰোহণৰ পৰত ইমান পৰিৱৰ্তিত হৈছে যে ই নৰকাগ্নিৰ গ্ৰাসত পৰিছে।"[২৫]**

১. দেহৰ পৰা বিচ্ছেদ হোৱাৰ সময়ত আত্মাৰ কি অৱস্থা হোৱা উচিত ? ____________________

____________________________________________________________

২. মিছা কল্পনা কিছুমান কি কি ? ______________________________________________

____________________________________________________________

____________________________________________________________

____________________________________________________________

৩. মিছা কল্পনাৰ পৰা মুক্ত হোৱা আত্মা কিদৰে থাকে আৰু ভ্ৰমণ কৰে ? ____________________

____________________________________________________________

____________________________________________________________

____________________________________________________________

৪. এই আত্মাবোৰে নিজক কাৰ লগত দেখা পাব ? ___________________________________

____________________________________________________________

৫. ঈশ্বৰৰ দূত আৰু তেওঁৰ নিৰ্বাচিত আত্মাবোৰৰ লগত কথা পাতিব পাৰিবনে ? _____________

____________________________________________________________

৬. আমাৰ শৰীৰৰ অন্ত কি অৱস্থাত ঘটে সেয়া জনাটো সম্ভৱনে ? _________________________

____________________________________________________________

৭. আমাৰ বাবে নিৰ্ধাৰিত শাশ্বত জীৱন লাভ কৰিবলৈ আমি এতিয়া কি কৰিব লাগিব ?_________

____________________________________________________________

____________________________________________________________

## খণ্ড- ১৯

আব্দুল বাহাই বৰ্ণনা কৰে:

**"যিহেতু মানৱ চেতনা এই পাৰ্থিৱ সজা ত্যাগ কৰাৰ পিছত, সকলো অস্তিত্বশীল বস্তুৰ দৰেই চিৰন্তন বাস কৰে, ই নিসন্দেহেই বিকশিত হোৱাত সক্ষম, সেয়েহে বিদেহী আত্মাৰ প্ৰগতি, ক্ষমা লাভৰ**

**বাবে, দিব্য কৃপা, দয়া আৰু আশীৰ্বাদ লাভৰ বাবে প্ৰাৰ্থনা কৰিব পাৰি। সেইবাবে বাহাউল্লাৰ প্ৰাৰ্থনাত যি অন্য ৰাজ্যলৈ গমন কৰিছে তেঁওলোকৰ বাবে ঈশ্বৰৰ সন্মুখত ক্ষমাৰ মিনতি কৰা হৈছে। যিদৰে এই জগতত মানুহক ঈশ্বৰৰ প্ৰয়োজনীয়তা আছে আৰু আন জগততো তেওঁৰ প্ৰয়োজনীয়তা থাকিব। সৃষ্টিক সদায় ঈশ্বৰৰ প্ৰয়োজনীয়তা থাকিব, এই জগত আৰু আগন্তুক জগততো, ঈশ্বৰ সদাই তেওঁলোকৰ পৰা স্বাধীন ।"[২৬]**

১. আমি বিদেহী আত্মাৰ বাবে কিয় প্ৰাৰ্থনা কৰিব লাগে ? ________________

________________________________________

________________________________________

________________________________________

________________________________________

________________________________________

________________________________________

________________________________________

________________________________________

## খণ্ড- ২০

আব্দুবাহাই লিখে

**"যেতিয়া মানৱ আত্মা এই ক্ষণস্থায়ী আবাস ত্যাগ কৰে আৰু ঈশ্বৰৰ জগতৰ পিনে উন্মুখ হয়, তেতিয়া পৰ্দাবোৰ আঁতৰিবলৈ ধৰে, আৰু ৰহস্যবোৰ প্ৰকাশলৈ আহে, পূৰ্বত অজ্ঞাত সকলো স্পষ্ট হয়, আৰু লুপ্ত সত্য উপলব্ধ হয়।**

**'ভাৱা কিদৰে এক জীৱ মাকৰ গৰ্ভত, কানেৰে কলা, চকুৰে অন্ধ, আৰু জিভাৰে বোবা আছিল; কিন্তু এবাৰ যেতিয়া সেই অন্ধকাৰৰ জগতৰ পৰা ওলাই আহি সি পোহৰৰ জগতত প্ৰবেশ কৰে, তাৰ পিছত তাৰ কানে শুনিব ধৰিলে, চকুৰে দেখিব আৰু জিভা বাকশক্তি প্ৰৱণ হ'বলৈ ধৰে। ঠিক তেনেদৰে যেতিয়া কোনো ব্যক্তিয়ে এই মৰণশীল জগত এৰি ঈশ্বৰৰ সম্ৰাজ্যৰ পিনে খৰখেদা কৰিব, সি এক নতুন চেনতাৰে পুনৰ্জীৱিত হ'ব; তেতিয়া তাৰ অন্তৰ্দৃষ্টি খোলখাব, আত্মাৰ কাণে শুনিব আৰু সকলো অজ্ঞাত সত্য তাৰ সন্মুখত স্পষ্ট হৈ পৰিব।"[২৭]**

১. খালী ঠাই পূৰ কৰক:

ক. যেতিয়া মানৱ আত্মাই এই জগত ত্যাগ কৰে, তেতিয়া

- পৰ্দা ________________,
- ৰহস্যবোৰ ________________,
- আগত অজ্ঞাত সকোলবোৰ ________________,
- গুপ্ত সত্য ________________,

খ. মাকৰ ________ কানেৰে ________, চকুৰে ________________ আৰু জিভাৰে ________________.আছিল।

গ. যেতিয়া আমি এই জগতত জন্ম গ্ৰহন কৰিলো আমাৰ কানে ______________________, চকুৱে ______________ আৰু জিভা.___________________________.হ'বলৈ ধৰিলে,

ঘ. ঠিক একেদৰে যেতিয়া আমি ঈশ্বৰৰ জগতৰ পিনে ধাৱমান হ'ম ____________________ ________________________।

ঙ. তেতিয়া আমি এক ________________________ হ'ম; তেতিয়া আমাৰ ____________ ________________________ খোলখাব, আত্মাৰ ______________________ আৰু সকলো অজ্ঞাত সত্য _____________________ পৰিব।

২. তলত দিয়া উক্তিবোৰ সচা হয়নে নিৰ্ধাৰিত কৰক:

____ যেতিয়া আমি মাতৃগৰ্ভত থাকোঁ, এই পৃথিৱীৰ বিষয়ে জানো।

____ মৃত্যুৰ পিছত জীৱন এনে এক ৰহস্য, যি আমাৰ বাবে এই জীৱনত গুপ্ত।

____ আমাৰ মৃত্যুৰ পিছত আমাৰ বাবে সম্পূৰ্ণ নতুন দিগন্ত খোল খাব।

____ যেতিয়া আমাৰ মৃত্যু হয় এই জগতত জীৱন নিৰ্বাহৰ বাবে আমি পুনৰ জন্ম লওঁ।

## খণ্ড- ২১

**"শৰীৰৰ পৰা আত্মাৰ বিয়োগ ঘটাৰ অন্তত ইজনে আনজনৰ কথা মনত থকাৰ বিষয়ে সুধিছা। তুমি জানি লোৱা যে, বাহাৰ লোক, যি ৰক্তিম বৃত্তাৰ্ধত প্ৰবেশ কৰিছে, তেওঁলোকে ইজনে আনজনৰ সৈতে অন্তৰঙ্গ আলাপ কৰিব, আৰু সিঁহতৰ জীৱন, উদ্দেশ্য ইচ্ছা আদিৰ প্ৰতি ইমান ঘনিষ্ঠতাৰে সংযুক্ত হ'ব যেন আটাইবোৰ একেইটি আত্মা। সেইসকল নিশ্চয় তেওঁলোক যি সু জ্ঞাত, তীক্ষ্ণ অন্তৰ্দৃষ্টি সম্পন্ন আৰু বোধগম্যতাৰে বিভূষিত। সেই সৰ্বজ্ঞ, সৰ্বজ্ঞানী তেওঁৰ দ্বাৰা এইদৰেই আদেশিত কৰা হৈছে।"**

**সেই বাহাৰ লোক, যি ঈশ্বৰৰ ৰক্তিম বৃত্তাৰ্ধৰ সহ:বাসিন্দা, সকলোৱে ইজনে আনজনৰ অৱস্থা আৰু স্থিতিৰ বিষয়ে ভালদৰে গম পায় আৰু আত্মীয়তা আৰু সহচাৰ্য্যৰ বান্ধোনেৰে বান্ধখাই থাকিব। এনে এক অৱস্থা নিশ্চয় সিঁহতৰ বিশ্বাস আৰু ব্যৱহাৰৰ ওপৰত নিৰ্ভৰ কৰে। যিসকল একে স্তৰৰ থাকে তেওঁলোকে ইজনে আনজনৰ ক্ষমতা, চৰিত্ৰ, সাফল্য আৰু দক্ষতাৰ বিষয়ে স্পষ্টভাৱে জানিব। কিন্তু নিম্নস্তৰৰ সকলে নিজতকৈ উৰ্ধত থকা সকলৰ স্থানক সম্পুৰ্ণভাৱে বুজিপোৱা, আৰু দক্ষতাৰ আংকলন কৰাত অপৰাগ হ'ব। প্ৰত্যেকেই তোমাৰ ঈশ্বৰৰ পৰা নিজৰ নিজৰ অংশ লাভ কৰিব। আশীৰ্বাদিত সেই ব্যক্তি যি ঈশ্বৰৰ পিনে নিজৰ মুখমণ্ডল উন্মুক্ত কৰিছে আৰু যেতিয়ালৈকে ইয়াৰ আত্মা ঈশ্বৰৰ সাম্ৰাজ্যৰ পিনে উৰা নামাৰে দৃঢ়তাৰে তেওঁৰ প্ৰেমৰ পথত খোজ কাঢ়িছে। তেওঁৱেই সাৰ্বভৌম সকলোৰে ঈশ্বৰ, সৰ্ব শক্তিমান, সদা-ক্ষমাশীল, সৰ্বদয়ালু।"[২৮]**

১. পৰৱৰ্তি জগতত আমি এই পৃথিৱীত চিনি পোৱা লোক সকলক চিনি পাম নে ? ____________

২. পৰৱৰ্তি জগতত আত্মাবোৰৰ মাজত সংযোগ কিমান ঘনিষ্ঠ হ'ব ? ______________________ ________________________________________________________________

৩. আগন্তুক জগতত আত্মাবোৰৰ মাজত ভিন্নতা আৰু বিশেষত্ব কিহৰ ওপৰত নিৰ্ভৰ কৰে ? ____ ________________________________________________________________

৪. কোনোবা ঈশ্বৰৰ দয়াৰ পৰা বঞ্চিত হ'ব নে ?____________________________________

## খণ্ড- ২২

বাহাউল্লাই আমাক পৰামৰ্শ প্ৰদান কৰে যে:

> **“হে মোৰ সেৱক সকল! এই দিনবোৰত বা এই ধৰাতলত যদিহে ঈশ্বৰৰ দ্বাৰা বস্তুবোৰ তোমাৰ ইচ্ছাৰ বিপৰিতে আদেশিত আৰু প্ৰকটিত কৰা হয়, দুখ নকৰিবা; কিয়নো উল্লাসপূৰ্ণ আমোদ আৰু স্বৰ্গীয় আনন্দৰ দিনবোৰ তোমাৰ বাবে সংৰক্ষিত কৰা হৈছে। পৃথিৱীৰ পবিত্ৰ আৰু আধ্যাত্মিক মহিমাবোৰ তোমাৰ চকুৰ সন্মুখত অনাবৃত কৰা হ’ব। এই পৃথিৱী আৰু আগন্তুক পৃথিৱীত সিঁহতৰ লাভবোৰ আৰু তাৰ আনন্দবোৰ ভোগ কৰিবলৈ আৰু সিঁহতৰ স্থায়ী দয়াৰ পৰা এক অংশ লাভ কৰিবৰ বাবে ঈশ্বৰৰ দ্বাৰা তোমাৰ ভাগ্য নিৰ্ধাৰিত কৰা হৈছে। নিশ্চয়, ইয়াৰ প্ৰতিটো তুমি লাভ কৰিবা।”**[২৯]

১. তলৰ কোনবোৰ সত্য নিৰ্ধাৰিত কৰক:

_____ বস্তুবোৰ যেতিয়া আমি ভবাৰ দৰে নহয় আমি দু:খিত হোৱা উচিত।

_____ সেয়া ভালেই হওক বা বেয়া ঈশ্বৰৰ দ্বাৰা নিৰ্ধাৰিত।

_____ উল্লাসপূৰ্ণ আমোদৰ দিনবোৰ আমাৰ বাবে সংৰক্ষিত আছে।

_____ পবিত্ৰ আৰু আধ্যাত্মিক ভাৱে মহিমামন্বিত জগতবোৰ দেখাটো আমাৰ বাবে নিশ্চিত।

_____ এই জীৱন আৰু আগন্তুক জীৱনত পবিত্ৰ আৰু আধ্যাত্মিকভাৱে মহিমামন্বিত জগতবোৰৰ লাভবোৰৰ অংশ লাভ কৰাটো নিশ্চিত।

২. যেতিয়া ঘটনাবোৰ আমাৰ ইচ্ছাৰ বিপৰীতে ঘটে আমি কিয় দুখি হোৱা উচিত নহয় ? ________

______________________________________________

______________________________________________

৩. এই অনুচ্ছেদত বাহাউল্লাই আমালৈ কি প্ৰতিশ্ৰুতি প্ৰদান কৰে। ? ______________________

______________________________________________

______________________________________________

## খণ্ড- ২৩

এই অধ্যায়ত, আপোনালোকে মানৱ জীৱনৰ অৰ্থৰ ওপৰত চিন্তন কৰিলে। আপুনি আত্মাৰ প্ৰকৃতি, এই পৃথিৱীত জীৱনৰ উদ্দেশ্য, আধ্যাত্মিক গুণবোৰৰ বিকাশৰ মহত্ব আৰু এক উল্লাস আৰু আনন্দপূৰ্ণ জীৱনৰ বাহাউল্লাৰ প্ৰতিশ্ৰুতিৰ বিষয়ে বহুখিনি শিকিলে। এই কিতাপৰ দ্বিতীয় অধ্যায়ত আমি দ্বৈত নৈতিক উদ্দেশ্যৰ বিষয়ে—আমাৰ আধ্যাত্মিক আৰু বৌদ্ধিক বিকাশ আৰু সমাজৰ ৰূপান্তৰণত অৱদান আগবঢ়োৱাৰ উদ্দেশ্য আলোচনা কৰিছিলো। এয়া এক সুযোগ য’ত আমি তালৈ উভতি গৈ আত্মাৰ বিকাশৰ বিষয়ে লাভ কৰা অন্তৰ্দৃষ্টিৰ প্ৰকাশত এই উভয় বিকাশক গুৰুত্ব প্ৰদান কৰাৰ মহত্বৰ বিষয়ে ভাবিব পাৰোঁ। নিম্নলিখিত অৱধাৰণাবোৰৰ ওপৰত কৰা আলোচনাই আপোনালোকৰ প্ৰতিফলনক সহায় কৰিব পাৰে।

১. *আধ্যাত্মিক গুণবোৰৰ বিকাশ*
২. *ঈশ্বৰৰ নিয়মবোৰ পালন কৰা*
৩. *মানৱজাতিৰ কল্যাণত অৱদান আগবঢ়োৱা*
৪. *সেৱাৰ পথত আগবঢ়া*

**REFERENCES**


1. From a talk given on 10 November 1911, published in Paris Talks: Addresses Given by ‘Abdu’l-Bahá in 1911 (Wilmette: Bahá’í Publishing, 2006, 2016 printing), no. 29.12–13, p. 109.

2. From a letter dated 1 April 1946 written on behalf of Shoghi Effendi, published in Lights of Guidance: A Bahá’í Reference File (New Delhi: Bahá’í Publishing Trust, 1988, 2010 printing), no. 1820, p. 537.

3. From a letter dated 28 July 2016 written on behalf of the Universal House of Justice.

4. ‘Abdu’l-Bahá, in Some Answered Questions (Wilmette: Bahá’í Publishing, 2014, 2016 printing), no. 66.3, pp. 352–53.

5. Ibid., no. 38.5, p. 220.

6. From a talk given by ‘Abdu’l-Bahá on 9 November 1911, published in Paris Talks, no. 28.16, p. 104.

7. From a letter dated 31 December 1937 written on behalf of Shoghi Effendi, published in Lights of Guidance, no. 680, p. 204.

8. Gleanings from the Writings of Bahá’u’lláh (Wilmette: Bahá’í Publishing Trust, 1983, 2017 printing), LXXXII, par. 8, p. 183.

9. ‘Abdu’l-Bahá, in Some Answered Questions, no. 61.1–2, p. 334.

10. Gleanings from the Writings of Bahá’u’lláh, LXXX, par. 2, p. 174.

11. Ibid., LXXXI, par. 1, p. 176.

12. Ibid., CLXV, par. 1–3, pp. 391–92.

13. Bahá’u’lláh, The Hidden Words (Wilmette: Bahá’í Publishing Trust, 2003, 2012 printing), Arabic no. 32, p. 11.

14. From a talk given on 6 July 1912, published in The Promulgation of Universal Peace: Talks Delivered by ‘Abdu’l-Bahá during His Visit to the United States and Canada in 1912 (Wilmette: Bahá’í Publishing, 2012), pp. 315–16. (authorized translation)

15. Gleanings from the Writings of Bahá’u’lláh, V, par. 4, p. 8.

16. Ibid., LXXXII, par. 1, pp. 179–80.

17. Ibid., CLIII, par. 6, pp. 370–71.

18. Ibid., XXVII, par. 2, pp. 72–73.

19. Ibid., XXVII, par. 3, p. 73. Life and Death – 53

20. Ibid., XXI, par. 1, pp. 54–55.

21. Ibid., LXXXI, par. 1, p. 177. 22. Ibid., CXXII, par. 1, pp. 293–94. 23. Ibid., LXXXII, par. 7, p. 182.

24. Ibid., LXXXI, par. 1, pp. 176–77.

25. Ibid., CXXV, par. 3, pp. 300–1.

26. ‘Abdu’l-Bahá, in Some Answered Questions, no. 62.3, pp. 340–41.

27. Selections from the Writings of ‘Abdu’l-Bahá (Wilmette: Bahá’í Publishing, 2010, 2015 printing), no. 149.3–4, pp. 246–47.

28. Gleanings from the Writings of Bahá’u’lláh, LXXXVI, par. 1–2, pp. 192–93.

29. Ibid., CLIII, par. 9, p. 373